# সূচীপত্ৰ

## প্ৰবন্ধমালা - 'কথা শিল্প'

### বিষয় ঃ তন্ত্ৰ-মন্ত্ৰ


| | | |
|---|---|---|
| তন্ত্ৰ সাহিত্য আৰু অসমত ইয়াৰ চৰ্চা | ড° সৰ্বেশ্বৰ ৰাজগুৰু | ২২ |
| মন্ত্ৰ চিকিৎসাৰ পৰম্পৰা আৰু মায়ঙৰ ভূমিকা | লোকেন্দ্ৰ হাজৰিকা | ৩০ |
| মায়ঙৰ মন্ত্ৰ আৰু ইয়াৰ প্ৰভাৱ | তিলক হাজৰিকা | ৩৯ |
| মায়ঙৰ মন্ত্ৰ কথা ঃ বিজ্ঞান, বিশ্বাস আৰু অন্ধবিশ্বাস | ড° উৎপল নাথ | ৪২ |


### বিষয় ঃ শিক্ষা-প্ৰশিক্ষা


| | | |
|---|---|---|
| মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ ইতিহাস | ড° ফণীভূষণ নাথ | ৪৮ |
| বিহঙ্গম দৃষ্টিৰে মায়ঙত উচ্চ শিক্ষা | প্ৰফুল্ল কুমাৰ ভূঞা | ৫৩ |
| মায়ঙৰ প্ৰাথমিক আৰু মাধ্যমিক শিক্ষা ঃ অতীত আৰু বৰ্তমান | কবিতা মেধি | ৫৭ |
| মৰিগাঁও জিলাত উচ্চ শিক্ষাৰ বাতাবৰণ আৰু সম্প্ৰসাৰণৰ গতি | নৰেন্দ্ৰ নাথ কেওঁট | ৬৩ |
| ৰাষ্ট্ৰৰ পুনৰুত্থানত ভাৰতীয় শিক্ষা আৰু সংস্কৃত ভাষা | ড° গুণেশ্বৰ ডেকা | ৬৫ |
| উন্নত দেশ আৰু দক্ষতা বিকাশ | জগন্নাথ ৰাজবংশী | ৭২ |
| কেৰিয়াৰ আৰু ছাত্ৰ-ছাত্ৰী | ড° বুলজিৎ বুঢ়াগোহাঁই | ৭৫ |
| অসমৰ ৰাজহুৱা খণ্ডৰ বিদ্যালয়বোৰৰ<br>পুনৰুজ্জীৱিত কৰণ সম্ভৱ নে ঃ এক আলোকপাত | নৰজ্যোতি নাথ | ৭৯ |
| সাধাৰণ শিক্ষা ব্যৱস্থাত সঙ্গীত শিক্ষাৰ প্ৰয়োজনীয়তা | ডাঃ প্ৰশান্ত কুমাৰ খাউণ্ড | ৮৩ |
| বৰ্তমানৰ শিক্ষা ব্যৱস্থা আৰু নতুন প্ৰজন্ম | মিলেশ্বৰ পাতৰ | ৮৪ |
| তোৰে মোৰে আলোকৰে যাত্ৰা ঃ ইতিবাচক পৰিবৰ্তন আৰু উন্নয়ন হওঁক লক্ষ্য | বুবুমনি গোস্বামী | ৮৭ |


### বিষয় ঃ ইতিহাস/ঐতিহ্য


| | | |
|---|---|---|
| ঐতিহাসিক মায়ং ৰাজ্যৰ বুৰঞ্জী ঃ এক অৱলোকন | স্বৰ্ণলতা হাজৰিকা | ৯১ |
| ঐতিহাসিক পটভূমিত কাজলি চকী | লোকেন্দ্ৰ হাজৰিকা | ৯৫ |
| কাজলিমুখ ঃ জোঙালৰ বীৰত্বৰ অন্তিম সাক্ষী | পম্পী দাস | ১০৫ |
| ভাৰতৰ স্বাধীনতা যুঁজত মায়ঙীয়া ৰাইজৰ ভূমিকা | ড° গুণেশ্বৰ ডেকা | ১০৯ |
| মায়ঙৰ শিল্প-ভাস্কৰ্য | পৱন কুমাৰ বিষয়া | ১১৪ |
| মায়ঙৰ ঠাইৰ নামৰ ইতিবৃত্ত | ৰাম চন্দ্ৰ নাথ | ১১৭ |
| সাতো ৰজা আৰু পাঁচো ৰজাৰ এটি চমু আভাস | উমাকান্ত ডেকাৰজা | ১২৩ |
| মৰিগাঁও জিলাৰ গোসাঁই উলিওৱা মেলা পৰম্পৰা | ড° ধীৰাজ পাটৰ | ১২৪ |


### বিষয় ঃ লোক-সাহিত্য/ভাষা/সংস্কৃতি


| | | |
|---|---|---|
| মায়ঙৰ লোক সাহিত্য ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন | ড° মীনাক্ষী তামুলী | ১৩৩ |
| মায়ঙত প্ৰচলিত বিয়া নাম সমূহত এভুমুকি | বিপুল ডেকা | ১৪৪ |
| মায়ঙৰ উপভাষা ঃ এক দৃষ্টিপাত | চাৰু প্ৰভা চলিহা | ১৪৯ |
| মায়ঙীয়া লোকভাষা | বৃষ্টি কলিতা | ১৫৩ |

| | | |
|---|---|---|
| অসমীয়া লোক সমাজত নিচুকণি গীত আৰু কিছু প্ৰাসঙ্গিক চিন্তা | ৰাতুল ডেকা | ১৬০ |
| অসমৰ বৈচিত্ৰপূৰ্ণ লোক পৰিৱেশ্য কলা | অসীম কুমাৰ নাথ | ১৬৩ |
| অসমীয়া প্ৰবাদ-প্ৰবচনত নাৰীৰ প্ৰস্থিতি | ড° সবিতা মজুমদাৰ কলিতা | ১৭০ |
| লোকবিশ্বাস আৰু এশিঙীয়া গঁড় | লক্ষ্যজ্যোতি নাথ | ১৭৪ |
| তিৱা সমাজ-সংস্কৃতিত 'বানছোৱা' | মুৰুলীধৰ দাস | ১৭৭ |
| কাৰ্বি জনগোষ্ঠীৰ এক ৰেঙণি | কৃষ্ণমণি বাংঠাই টিমুং | ১৮০ |

**বিষয় ঃ অৰ্থনীতি/প্ৰকৃতি/পৰ্যটন**

| | | |
|---|---|---|
| মায়ঙৰ কৃষি-অৰ্থনীতি | ৰবিন কুমাৰ কলিতা | ১৮৩ |
| অসমৰ গ্ৰাম্য অৰ্থনীতি আৰু গান্ধী দৰ্শন | জিতেন চন্দ্ৰ কলিতা | ১৮৬ |
| জৈৱ স্পৰ্শকাতৰ অঞ্চল ঃ চৰকাৰৰ হেমাহিত বিধ্বস্ত | মলয় বৰুৱা | ১৮৮ |
| অসমৰ পৰ্যটন ক্ষেত্ৰ ঃ প্ৰতিশ্ৰুতি আৰু প্ৰত্যাহ্বান | অমৰজ্যোতি শইকীয়া | ১৯১ |
| মায়ঙত পৰ্যটন উদ্যোগ বিকাশৰ সম্ভাৱনীয়তা | অজিত মেধি | ১৯৪ |

**বিষয় ঃ জীৱন/আধ্যাত্মিকতা**

| | | |
|---|---|---|
| সুন্দৰ জীৱনৰ সন্ধানত | হৰিপ্ৰসাদ তালুকদাৰ | ১৯৯ |
| ৰামায়ণৰ কাহিনীৰ আলমত নাৰী-পুৰুষৰ জীৱনৰ শিক্ষা | মণ্টু শইকীয়া | ২০১ |
| ঈশ্বৰবাদ, নিৰীশ্বৰবাদৰ সংঘাত আৰু এটা পৰমসত্বাৰ অন্বেষন | সমীৰ কুমাৰ নাথ | ২০৩ |
| সত্যান্বেষণ | নিত্যানন্দ নাথ | ২০৯ |

**বিষয় ঃ যোগ/স্বাস্থ্য/চিকিৎসা**

| | | |
|---|---|---|
| যোগাভ্যাস আৰু সাম্প্ৰতিক সমাজ | অতুল চন্দ্ৰ নাথ | ২১৫ |
| সাম্প্ৰতিক সময়ত যোগ ঃ স্বাস্থ্য জীৱনলৈ অৱদান | চিদানন্দ নাথ | ২১৯ |
| নাথ জাতিৰ চিকিৎসা বিজ্ঞান ঃ অসমৰ লোক চিকিৎসা আৰু খাদ্যাভাস | ভাৰত চন্দ্ৰ নাথ | ২২২ |

**বিষয় ঃ ভ্ৰমণ**

| | | |
|---|---|---|
| লৌহিত্য দৰ্শন আৰু পৰশুৰাম কুণ্ডত মহাস্নান | কেশৱ চন্দ্ৰ হাজৰিকা | ২২৮ |
| আমেৰিকা ভ্ৰমণৰ অভিজ্ঞতা | গোলোক চন্দ্ৰ নাথ | ২৩৭ |
| ৰুবিক্স কিউবেৰে বিশ্ব চেম্পিয়নৰ পিছত ... | কাব্যনীল তালুকদাৰ | ২৪২ |

**বিষয় ঃ ব্যক্তি/ব্যক্তিত্ব**

| | | |
|---|---|---|
| মায়ং অঞ্চলৰ কেইগৰাকীমান বৰেণ্য ব্যক্তিৰ জীৱনত এভুমুকি | দিলীপ শইকীয়া | ২৪৭ |
| সোণোৱালী মায়ঙৰ স্বপ্নদ্ৰষ্টা দিপন চন্দ্ৰ নাথ | দুলেন নাথ | ২৫৭ |
| মুক্তিযোদ্ধা মহদা গোঁসাইৰ সোঁৱৰণত | নীলিমা দেৱী | ২৫৯ |

**বিষয় ঃ গ্ৰন্থ শিতান**

| | | |
|---|---|---|
| পবিতৰা অভয়াৰণ্যৰ ইতিবৃত্ত | দিপন চন্দ্ৰ নাথ | ২৬৩ |
| মায়ং সাৰ্ব্বজনীন গোঁসাই উলিওৱা মেলা আৰু গড় ভঙা উৎসৱৰ ইতিবৃত্ত | লোকেন্দ্ৰ হাজৰিকা | ২৮১ |
| মোহনীয় মায়ং | ড° উৎপল নাথ | ২৮৮ |

## তন্ত্ৰম

### বিষয় ঃ বিবিধা


| | | |
|---|---|---|
| বৰছুলাৰ পৰা মায়ং .... | ৰঞ্জন তিমচিনা | ৩০৫ |
| বাতৰি কাকতৰ পৃষ্ঠাত মায়ং | নজৰুল ইছলাম | ৩১০ |
| মায়ং আঞ্চলিক মহাবিদ্যালয় ঃ মোৰ জীয়া অনুভৱ | ৰজনী কান্ত নাথ | ৩২৮ |
| মই, মায়ং ঃ মোৰ অনুভৱ | জবা দাস | ৩৩০ |
| এয়া আকাশবাণী গুৱাহাটী "এক মিঠা অনুভৱ" | লীনা কুমাৰী বৰা কলিতা | ৩৩২ |
| পুথি ভঁৰালৰ ক্ৰম বিকাশ | চন্দ্ৰকান্ত বৰা | ৩৩৫ |
| সময়ৰ সদব্যহাৰ | অক্ষয় ডেকা | ৩৩৯ |
| মায়ং আঞ্চলিক মহাবিদ্যালয় ঃ আমাৰ মিঠা মিঠা অনুভৱ | ছাত্ৰ-ছাত্ৰীবৃন্দ | ৩৪১ |


### বিষয় ঃ সাক্ষাৎকাৰ


| | | |
|---|---|---|
| মহাবিদ্যালয়ৰ অধ্যক্ষৰ স'তে এটি আন্তৰিক সাক্ষাৎকাৰ | নজৰুল/উৎপল | ৩৬৪ |


### কবিতামালা - 'শব্দৰ বৰষুণ'


| | | |
|---|---|---|
| মায়ং বন্দনা | প্ৰয়াত ৰমেশ চন্দ্ৰ নাথ | ৩৭৫ |
| ধুমুহাজাক গান আছিল | ড° নন্দ সিং বৰকলা | ৩৭৬ |
| নিঃসংগতা বিষয়ক | নীলিম কুমাৰ | ৩৭৮ |
| ওৰে ৰাতি | প্ৰণৱ কুমাৰ বৰ্মন | ৩৭৮ |
| কোনে-জানে | উজ্জ্বল পাওগাম | ৩৭৯ |
| মায়ং | চিৰঞ্জীৱ তামুলী | ৩৮০ |
| আক্ষেপ | নিৰোড বৰা | ৩৮০ |
| মোক এটা ৰাতি ধাৰে দিয়া | ৰাজুমণি শইকীয়া | ৩৮১ |
| স্বাধীনতা স্বাধীন হোৱা সপোনৰ দৰে | অজিত ৰায় | ৩৮২ |
| ৰণুৱা ঘোঁৰাত ৰহন সনা | কল্পতৰু চৌধুৰী | ৩৮৩ |
| দৈনন্দিন | শিৱপ্ৰসাদ শইকীয়া | ৩৮৩ |
| শিশু সাহিত্য | বাসৱী পত্ৰলেখা | ৩৮৪ |
| মাটি হেৰুৱাৰ গান | নাৰায়ণ টেৰণ | ৩৮৪ |
| এটি সেউজীয়া কবিতা | নৱ ৰাজন | ৩৮৫ |
| আই | বিনয় চলিহা | ৩৮৫ |
| প্ৰতিবাদ | বিজয় টেৰন | ৩৮৬ |
| কবিতা, সাহিত্য ইত্যাদি | জানিক বৰ্মন | ৩৮৬ |
| জীৱনৰ শব্দবোৰ | প্ৰীতি ডেকা | ৩৮৭ |
| অস্তিত্বৰ পম খেদি | নিৰঞ্জন বৰুৱা | ৩৮৭ |
| সূৰ্য ফুলিব এদিন | কৰবী মেধি | ৩৮৮ |
| বসন্ত | চিনু প্ৰভা দেৱী | ৩৮৮ |
| মা | নিকুঞ্জ কুমাৰ নাথ | ৩৮৯ |

## তথ্ৰম


| | | |
|---|---|---|
| গুৰু-শিষ্যৰ মহামিলন | ৰেজা ছাদুল্লাহ আহমেদ | ৩৮৯ |
| মায়ং খনিকৰ | বীৰেশ্বৰ কেলেং | ৩৯০ |
| অনন্ত শয্যা | দীপশিখা ডেকা | ৩৯১ |
| স্নিগ্ধ নিয়ঁৰৰ অনুভৱ | ববিতা হাজৰিকা | ৩৯১ |
| দহ মিনিট | মণিৰত্ন ডেকা | ৩৯২ |
| আই | মঞ্জু প্ৰভা দেৱী | ৩৯২ |
| তৰা | ঋতু শইকীয়া | ৩৯৩ |
| এটি কবিতা আৰু তুমি | জ্যোতিপ্ৰসাদ হাজৰিকা | ৩৯৩ |
| আৰ্তনাদ | ধৰিত্ৰী ডেকা | ৩৯৩ |
| অজ্ঞতা | গৌতম বিষয়া | ৩৯৪ |
| বাস্তৱ | পৰমা হাজৰিকা | ৩৯৪ |
| জালুকবাৰী | বিদ্যুৎ বিষয়া | ৩৯৪ |
| তোমাৰ বাবে | কাকলি কাথাৰ | ৩৯৫ |
| তোমাৰ প্ৰেমে মোক মতলীয়া কৰিলে | মঃ আবুল ফজল | ৩৯৫ |
| দেউতাৰ স্মৃতি | দীপিকা দেৱী সোণোৱাল | ৩৯৬ |
| আজি আচিনাকি | ডঃ এ আহমেদ | ৩৯৬ |


**ইংৰাজী ভাষাৰ অধ্যায়**


| | | |
|---|---|---|
| A Study of the Archaeological Remains in Mayong | Dhanya Ram Roy | ৩৯৮ |
| Scenario of Skill Creation and Development in India | Trailokya Deka | ৪০৫ |
| Life Skills | Hemen Kalita | ৪১০ |
| Learning to Write: An Approach to Academic Writing | Dr Surajit Ray | ৪১২ |
| Core Skills in Teaching | Niranjan Saikia | ৪২০ |
| Teachers struggle in 21st century | Prafulla Kr. Das | ৪২২ |
| Legal Provision For Woman And Its Awarness | Bharat Bishaya | ৪২৬ |
| Terrorism : A Threat to Humanity | Utpal Saikia | 430 |
| Erection of Megalith - A Living Tradition among the Karbi People | Dr. Rumi Patar | ৪৩৫ |
| Folk tradition of Darrang District: Vyas- Ojhapali | Dr. Moushumi Bhattacharjee | ৪৪৮ |
| Oral Tradition, Rumour and Construction of Peasant Consciousness in Assam with Special Reference to Doli Puran | Dhanmoni Kalita | ৪৫১ |
| In Search of Self : A Study on the Character of Sita in Anita Desai's "Where Shall We Go This Summer" in view of Her Alienation | Ranjan Timsina | ৪৫৮ |
| Practices of Magic in Magic Land Mayong of Assam | Dr. Utpal Nath | ৪৬৩ |
| Prospect of Eco tourism in Mayong | Tirtha Saikia | ৪৬৯ |


—

# প্রবন্ধমালা

## 'কথাশিল্প'

বিষয়

# তন্ত্র-মন্ত্র

# তন্ত্ৰ সাহিত্য আৰু অসমত ইয়াৰ চৰ্চা

ড° সৰ্বেশ্বৰ ৰাজগুৰু
বিশিষ্ট লেখক

সংস্কৃত অভিধানত তন্ত্ৰ শব্দৰ বিভিন্ন অৰ্থ দেখুওৱা হৈছে। সাধাৰণতে শিথিলভাৱে যেই কোনো শাস্ত্ৰকেই তন্ত্ৰ বুলি কোৱা হয়। আনকি ভাৰতীয় দৰ্শন শাস্ত্ৰসমূহকো তন্ত্ৰ বুলি অভিহিত কৰা হৈছে। উদাহৰণস্বৰূপে কপিলৰ সাংখ্যা দৰ্শনক 'কপিল তন্ত্ৰ', গৌতমৰ ন্যায় দৰ্শনক 'গৌতম তন্ত্ৰ', জৈমিনীৰ মীমাংসা দৰ্শনক 'জৈমিনী তন্ত্ৰ' ইত্যাদি ৰূপেও অভিহিত কৰা হয়। কিন্তু তন্ত্ৰ শব্দৰ ব্যাপক আৰু জনপ্ৰিয় অৰ্থ সম্পূৰ্ণ বেলেগ। তন্ত্ৰ শব্দৰ ব্যাপকভাৱে পৰিচিত অৰ্থ হৈছে যাদু আৰু ৰাহস্যিকভাৱে দেৱ-দেৱীৰ উপাসনা কৰা কাৰ্যবিধি। দেখাত অনৈতিক, অসাধু বা ব্যভিচাৰী প্ৰথাৰে কৰা দেৱী বা শক্তিৰ উপাসনা পদ্ধতিও তন্ত্ৰৰ অন্তৰ্ভুক্ত। আনকি মদ, মাংস, মাছ, মৈথুন আদিৰে কৰা উপাসনাৰ লগতো তন্ত্ৰ জড়িত। অৱশ্যে বহুতে বুজাৰ দৰে তন্ত্ৰ কেৱল দেৱী বা শক্তিৰ উপাসনাৰ লগতেই যে জড়িত এনে নহয়, পুৰুষ দেৱতাৰ উপাসনাৰ লগতো তন্ত্ৰ জড়িত। শৈৱ, গাণপত্য, সৌৰীয়, বৈষ্ণৱ সম্প্ৰদায়ৰো তান্ত্ৰিক গ্ৰন্থ বা এই সম্প্ৰদায়বোৰৰ পূজা-পদ্ধতিতো তান্ত্ৰিক প্ৰথাৰ প্ৰচলন আছে। উদাহৰণস্বৰূপে অসমত নৱ বৈষ্ণৱ ধৰ্মৰ আগতে প্ৰচলিত পঞ্চৰাত্ৰীয় আৰু বাসুদেৱীয় বৈষ্ণৱ ধৰ্মতান্ত্ৰিক পদ্ধতিৰ আছিল।

বিভিন্ন পণ্ডিতে তন্ত্ৰ শব্দটোৰ বিভিন্ন অৰ্থ কৰিছে। তন(বহলোৱা spread) তন্তি বা তন্ত্রি (ব্যাখ্যা কৰা, to explain) আদি ধাতুৰ পৰা তন্ত্ৰ শব্দটো উদ্ভৱ হৈছে। মহামহোপাধ্যায় হৰপ্ৰসাদ শাস্ত্ৰীৰ মতে তন্ত্ৰ শব্দটো বীজগণিতৰ (Algebra) বীজৰ (formula) দৰে সংক্ষিপ্ত কৃত মন্ত্ৰ বা বীজ, যাক ব্যাখ্যা কৰিবলৈ যথেষ্ট পৰিসৰ বা শব্দৰ প্ৰয়োজন হয়। তান্ত্ৰিক উপাসনা পদ্ধতিত, বিশেষকৈ তান্ত্ৰিক বৌদ্ধধৰ্মী বজ্ৰযানীসকলৰ উপাসনা পদ্ধতিত, এই ফৰ্মূলাস্বৰূপ মন্ত্ৰ বা সংক্ষিপ্তকৃত শব্দাংশ বীজমন্ত্ৰবোৰে প্ৰধান ভূমিকা গ্ৰহণ কৰিছে। তান্ত্ৰিক বৌদ্ধ ধৰ্মৰ মন্ত্ৰবোৰৰ বীজ হৃদয়, উপহৃদয়,

পূজা, অৰ্ঘ্য, পুষ্প, ধূপ-দীপ, নৈবেদ্য আদি কৰি বহুত ভাগ আছে। প্ৰথম অৱস্থাত এইবোৰৰ অৰ্থ ৰক্ষা কৰা হৈছিল যদিও বৰ্তমান প্ৰায়বোৰ মন্ত্ৰৰ ক্ষেত্ৰতে দেখা যায় যে এইবোৰৰ অৰ্থ নাই বা অৰ্থ উলিয়াব নোৱাৰি। হিন্দু ধৰ্মৰ বেদতো মন্ত্ৰ আছে, কিন্তু এইবোৰৰ অৰ্থ আছে বা অৰ্থ উলিয়াব পাৰি। আমাৰ বেজালি পুথিৰ মন্ত্ৰবোৰৰ (এই বেজালি পুথিবোৰৰো উৎপত্তিৰ মূলতে বজ্ৰযানী বৌদ্ধসকলেই। এই বিষয়ে পাছত আলোচনা কৰা হ'ব) বা তান্ত্ৰিক বৌদ্ধসকলৰ সাধন-প্ৰক্ৰিয়াৰ মন্ত্ৰ, ধাৰণী বা বীজমন্ত্ৰৰ অৰ্থ উলিয়াব নোৱাৰি। তান্ত্ৰিক বৌদ্ধসকলৰ মন্ত্ৰ বা বীজমন্ত্ৰবোৰ বৌদ্ধসূত্ৰৰ সংক্ষিপ্তকৰণ। এই সংক্ষিপ্তকৰণৰ প্ৰথম স্তৰ হ'ল ধাৰণী, দ্বিতীয় স্তৰ হ'ল মন্ত্ৰ আৰু তৃতীয় বা শেষ স্তৰ হ'ল বীজমন্ত্ৰ। কাৰ্ণ চাহাবৰ মতে বৌদ্ধধৰ্মত অতি প্ৰাচীন কালৰ পৰা ধাৰণী আছিল। বুদ্ধই তেওঁৰ সাধাৰণ প্ৰতিভাৰ শিষ্যসকলে বিস্তৃত মূল সূত্ৰবোৰ মুখস্থ কৰিবলৈ সহজ কৰিবৰ কাৰণে এই সংক্ষিপ্তকৰণ পদ্ধতিৰ প্ৰয়োগ কৰিছিল। উদাহৰণ স্বৰূপে আঠ হাজাৰ শ্লোকৰ 'প্ৰজ্ঞা পাৰমিতা সূত্ৰ' সংক্ষিপ্ত কৰি প্ৰথম 'প্ৰজ্ঞা পাৰমিতা হৃদয় সূত্ৰ'ৰ সৃষ্টি কৰিলে; প্ৰজ্ঞা পাৰমিতা হৃদয় সূত্ৰক সংক্ষিপ্ত কৰি 'প্ৰজ্ঞা পাৰমিতা ধাৰণী' কৰিলে, তাকো সংক্ষিপ্ত কৰি 'প্ৰজ্ঞা পাৰমিতা মন্ত্ৰ' কৰিলে, প্ৰজ্ঞা পাৰমিতা মন্ত্ৰক সংক্ষিপ্ত কৰি বীজমন্ত্ৰ 'প্ৰং' কৰিলে। গতিকে 'প্ৰং' এটা বীজমন্ত্ৰ, ইয়াৰ অন্তৰালত নিহিত আছে আঠ হাজাৰ শ্লোকৰ প্ৰজ্ঞা পাৰমিতা সূত্ৰ। এনে বীজমন্ত্ৰ অলেখ আছে। হিন্দুতান্ত্ৰিক গ্ৰন্থতো এনে বীজমন্ত্ৰ আছে, কিন্তু পণ্ডিতসকলৰ বহুতেই অনুমান কৰে যে তান্ত্ৰিক বৌদ্ধধৰ্মৰ পৰাহে এই সংক্ষিপ্ত মন্ত্ৰ বা বীজ মন্ত্ৰ হিন্দু ধৰ্মত প্ৰৱেশ কৰিছে।

তান্ত্ৰিক বৌদ্ধসকলৰ বিভিন্ন দেৱী বা শক্তিক সাধনা কৰা অজস্ৰ মন্ত্ৰ আছে। কোনো এক দেৱী বা শক্তিৰ মন্ত্ৰসাধনা কৰি সেই দেৱী বা শক্তিৰ লগত যোগাযোগ স্থাপন কৰি অলৌকিক শক্তিৰ মন্ত্ৰসাধনা কৰি সেই দেৱী বা শক্তিৰ লগত যোগাযোগ স্থাপন কৰি অলৌকিক শক্তিৰ অধিকাৰী হৈ অসম্ভৱ কাৰ্য সাধন কৰিব পাৰে বুলি তান্ত্ৰিক বৌদ্ধসকলৰ বিশ্বাস। উদাহৰণস্বৰূপে 'ওঁ পিচু পিচু প্ৰজ্ঞা বৰ্ধনি জ্বল জ্বল মেধা বৰ্ধনি ধিৰি ধিৰি বুদ্ধি বৰ্দ্ধনি স্বাহা'— এইটো জাংগুলী বা সৰস্বতীৰ সাধনাৰ মন্ত্ৰ। সেইদৰে 'ওঁ তাৰে তুত্তাৰে তাৰে স্বাহা' তাৰাৰ মন্ত্ৰ। এই মন্ত্ৰ সাধনাৰ দ্বাৰা জাংগুলী বা তাৰা দেৱীৰ সাক্ষাৎ লাভ কৰিব বা তাৰা দেৱীৰ লগত যোগাযোগ সংস্থাপন কৰি অসম্ভৱ কাৰ্য সম্ভৱ কৰিব পাৰে। এইদৰে মন্ত্ৰ-সাধনা কৰি সিদ্ধি লাভ কৰাসকলকেই সিদ্ধি বা সিদ্ধাচাৰ্য বোলা হৈছিল। অৱশ্যে সিদ্ধি লাভ কৰা সিদ্ধাচাৰ্য আখ্যা পোৱাৰ আগতে তেওঁলোকে নীতি-নিয়ম, আচাৰ-পালন আদি বিভিন্ন প্ৰকাৰৰ কেইবাটাও স্তৰ অতিক্ৰমিহে সিদ্ধাচাৰ্য খ্যাতি লাভ কৰিব পাৰিছিল। তান্ত্ৰিক বৌদ্ধসকলৰ ভিতৰত অনুত্তৰ যোগীসকলেই মানৱ স্তৰ অতিক্ৰম কৰি সিদ্ধ বা সিদ্ধাচাৰ্য হৈছিল। এনে সিদ্ধাচাৰ্যৰ সংখ্যা ৮৪ জন। অসমত পালবংশৰ ৰাজত্বৰ কালছোৱাই, অৰ্থাৎ খ্ৰীষ্টীয় অষ্টম শতাব্দীৰ পৰা দশম-একাদশ শতাব্দীৰ কালছোৱাই সিদ্ধচাৰ্যসকলৰ অভ্যুদয়ৰ কাল। দৰাচলতে অসম তথা সমগ্ৰ ভাৰতবৰ্ষতেই এই কালছোৱাই তন্ত্ৰ সাহিত্য তথা তান্ত্ৰিক ধৰ্মৰ অভ্যুদয়ৰ কাল।

তন্ত্ৰৰ সূত্ৰ (definition) এটা দিয়া বা ইয়াৰ অন্তৰ্ভুক্ত বিষয়বস্তুৰ এটা স্পষ্ট আভাস দিয়া সহজ কথা নহয়। কিয়নো ভাৰতবৰ্ষত হিন্দু, জৈন আৰু বৌদ্ধ— এই তিনিওটা সম্প্ৰদায়ৰে মাজত তন্ত্ৰৰ প্ৰচলন আছে। তথাপি হিন্দু আৰু তান্ত্ৰিক বৌদ্ধসকলেই তন্ত্ৰৰ প্ৰধান পৃষ্ঠপোষক। আমাৰ অসমতো এই হিন্দু আৰু তান্ত্ৰিক বৌদ্ধ (বজ্ৰযানী আৰু সহজীয়া বৌদ্ধ) সকলেই প্ৰধানকৈ তন্ত্ৰৰ চৰ্চা কৰি গৈছে। সি যি নহওক, হিন্দু আৰু বৌদ্ধ— এই উভয় সম্প্ৰদায়ৰ ভিতৰত তন্ত্ৰ গ্ৰন্থৰ অজস্ৰ ৰচক আছিল আৰু এওঁলোকৰ দ্বাৰা ৰচিত তন্ত্ৰ গ্ৰন্থৰ সংখ্যাও আচৰিতভাৱে বিস্তৰ। বৌদ্ধ আৰু হিন্দু উভয় সম্প্ৰদায়ৰ তন্ত্ৰবোৰ দেখাত একে হ'লেও দুয়োবিধ তন্ত্ৰৰ মাজত যথেষ্ট পাৰ্থক্য আছে। এই পাৰ্থক্য থকাটো স্বাভাৱিক, কাৰণ হিন্দু ধৰ্মৰ ধৰ্মীয় নীতি আৰু দৰ্শনৰ লগত তান্ত্ৰিক বৌদ্ধ ধৰ্মৰ ধৰ্মীয় নীতি আৰু দৰ্শনৰ মিল নাই বা মিল হ'ব নোৱাৰে। সেই কাৰণেই হিন্দু তন্ত্ৰৰ সূত্ৰৰ লগত বৌদ্ধ তন্ত্ৰৰ সূত্ৰৰ মিল হ'ব নোৱাৰে যদিও তন্ত্ৰৰ অন্তৰ্ভুক্ত বিষয়বস্তুবোৰৰ দেখাত মিল দেখা যায়। সাধাৰণতে সৃষ্টি, প্ৰলয়, স্বৰ্গলোক, প্ৰেতলোক, নিশাচৰৰ আলয়, বিভিন্ন তীৰ্থ, আশ্ৰম আৰু বৰ্ণ-ধৰ্ম, যাদু গ্ৰহ-নক্ষত্ৰৰ স্থান আৰু গতি, ব্ৰত-পাৰ্বণ পালন, পবিত্ৰ-অপবিত্ৰ বস্তু, ৰাজধৰ্ম, যুগধৰ্ম ইত্যাদি বিষয়ৰ বৰ্ণনা হিন্দু তন্ত্ৰ শাস্ত্ৰৰ অন্তৰ্ভুক্ত। ইয়াৰ বাহিৰেও জ্যোতিষ, জ্যোতিৰ্বিজ্ঞান, ঔষধ, জন্ম-পত্ৰিকা গণনা কৰা বিদ্যা, প্ৰেতাত্মা আহ্বান কৰা, ৰসায়ন (বিভিন্ন ধাতুক সোণত পৰিণত কৰা বিদ্যা), ভৱিষ্যৎবাণী কৰা আদি তন্ত্ৰৰ ভিতৰত থাকিলেও এইবোৰ তন্ত্ৰ শব্দৰ সূত্ৰৰ অন্তৰ্ভুক্ত বিষয়বস্তু সন্নিৱিষ্ট আৰু দুবিধ শাস্ত্ৰ হিন্দুৰ আছে যাক আগম আৰু যামল বুলি কোৱা হয়। এই আগম আৰু যামলৰ কথা হিন্দুসকলে তন্ত্ৰত উল্লেখ কৰি আগম আৰু যামলৰ পৰাও তন্ত্ৰক পৃথক কৰি দেখুৱাইছে।

বৌদ্ধ তন্ত্ৰ-শাস্ত্ৰবো বিষয়বস্তু প্ৰায় একেই; কিন্তু বৌদ্ধ তন্ত্ৰৰ অন্তৰ্ভুক্ত বিষয় বস্তুও অলেখ আৰু বৌদ্ধ তন্ত্ৰ গ্ৰন্থৰ সংখ্যাও অনেক। বজ্ৰযান, সহজযান আৰু কালচক্ৰ যান— প্ৰধানকৈ এই তিনি বৌদ্ধ সম্প্ৰদায় আৰু এই সম্প্ৰদায়বোৰৰ পৰা (প্ৰধানকৈ বজ্ৰযানৰ পৰা) উদ্ভৱ হোৱা তন্ত্ৰযান, মন্ত্ৰযান, ভদ্ৰযান আদি সম্প্ৰদায়বোৰৰ দ্বাৰা ভাৰতবৰ্ষত অজস্ৰ তন্ত্ৰ গ্ৰন্থ ৰচনা কৰা হৈছিল। তথাপি ক'বই লাগিব যে নিজকে বজ্ৰচাৰ্য বুলি অভিহিত কৰা বজ্ৰযানী বৌদ্ধ আৰু সহজীয়া সিদ্ধিসকলৰ (সংখ্যাত ৮৪) বৰঙনিয়েই তন্ত্ৰ ৰচনাৰ ক্ষেত্ৰত অধিক উল্লেখযোগ্য। কোৱা বাহুল্য যে আমাৰ অসমতো এই দুই সম্প্ৰদায়েই এই ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰি থৈ গৈছে।

**তন্ত্ৰৰ উৎস আৰু উৎপত্তি স্থান**

তন্ত্ৰৰ মূল উৎস হৈছে যাদু বা ইন্দ্ৰজাল (Magic)। এই যাদুনো কি? আমি আগতে উল্লেখ কৰি আহিছো যে সিদ্ধাচাৰ্যসকলে মন্ত্ৰৰ সাধনাৰে বিভিন্ন অদৃশ্য দেৱ-দেৱীৰ লগত যোগাযোগ স্থাপন কৰি শাৰীৰিক শক্তিৰে সাধন কৰিব নোৱৰা অলৌকিক বা অসম্ভৱ কাৰ্যকো সাধন কৰিব পাৰিছিল। মানুহে তাৰ শক্তিৰে অদৃশ্য শক্তিকো যে নিজৰ ইচ্ছানুযায়ী কামত খটুৱাব পাৰে, এই আদিম বিশ্বাস সকলো যুগতে আৰু পৃথিৱীৰ সকলো দেশতে আছে। এই আদিম বিশ্বাসৰ পৰাই মানৱ সমাজত প্ৰচলিত যাদু বা ইন্দ্ৰজাল, ধৰ্ম আৰু বিজ্ঞানে প্ৰসাৰতা লাভ কৰিছে; আৰু কোৱা নিষ্প্ৰয়োজন যে ইয়াৰ ভিতৰত যাদু বা ইন্দ্ৰজালৰ (Magic) বিশ্বাসেই আদিমতম বিশ্বাস। যাদু বা ইন্দ্ৰজালৰ পৰাহে ক্ৰমে ধৰ্ম আৰু বিজ্ঞানে প্ৰসাৰতা লাভ কৰিছে। অদৃশ্য শক্তিক বশীভূত কৰিব পৰা বা কামত খটুৱাব পৰা, অলৌকিক কাৰ্য সম্পাদন কৰিব পৰা ক্ষমতা আদি কিছুমান অৰ্থহীন মন্ত্ৰ বা আচাৰ-অনুষ্ঠানত নিহিত থকা বুলি কৰা বিশ্বাসতেই যাদুৰ অস্তিত্ব নিৰ্ভৰশীল। এনেকুৱা বিশ্বাসেই কালক্ৰমত একোটা ধৰ্মীয় ধাৰণা বা মতলৈ ৰূপান্তৰিত হ'ল, যেতিয়া এই শক্তি বা ক্ষমতা মানুহে তাৰ ইচ্ছামতে নিয়ন্ত্ৰিত কৰিব পৰা ক্ষমতাৰ বাহিৰত অৱস্থিত বুলি ধাৰণা কৰা হ'ল। আকৌ এই যাদু বা আদিম বিশ্বাসৰ নীতিবোৰ যেতিয়াই প্ৰণালীবদ্ধ আৰু নিয়মতান্ত্ৰিকভাৱে প্ৰয়োগ কৰা হয়, তেতিয়াই সি বিজ্ঞানলৈ ৰূপান্তৰিত হয়। এই সম্পৰ্কত এজন খ্যাতিসম্পন্ন পণ্ডিতৰ মত প্ৰণিধানযোগ্য। তেখেতে কৈছে ঃ Magic in the opinion of the leading anthropologists must necessarily be false and barren, for were it ever to become true and fruitful, if would no longer be magic but science. Magic on analysis, resolves itself into a mistaken application of the laws of the association of the ideas by similarity and cantignity. Legitimately applied, these same principles yeild science and illegitimately applied, they yeild magic.' অৰ্থাৎ 'খ্যাতনামা নৃতত্ত্ববিদসকলৰ মতে যাদু মিছা আৰু নিষ্ফল, কাৰণ ই সঁচা হোৱা হ'লে যাদু নহৈ বিজ্ঞান হ'লহেঁতেন, বিশ্লেষণ কৰি দেখা গৈছে যে যাদু হৈছে সাদৃশ্য আৰু সংলগ্নতাৰ ওপৰত ভিত্তি কৰা ভাব-সংযোগ নীতিৰ এটা ভুল প্ৰয়োগ। এই নীতিবোৰৰ (Principles) আইনসংগত বা শুদ্ধ প্ৰয়োগে আমাক বিজ্ঞান দিয়ে আৰু অশুদ্ধ প্ৰয়োগৰ ফলত যাদু হয়।' সেইকাৰণেই বিজ্ঞান আৰু যাদুৰ মাজত থকা পাৰ্থক্য তেনেই নগণ্য, বিজ্ঞানৰ প্ৰাথমিক সূচনা যাদুতেই। আনহাতেদি ধৰ্ম হ'ল বিজ্ঞান আৰু যাদু উভয়ৰে বিপৰীত, কাৰণ ধৰ্মত প্ৰকৃত আৰু মানৱ-জীৱনৰ গতি মানুহতকৈ শ্ৰেষ্ঠ কিছুমান আনুমানিক দেহ বিশিষ্ট কাল্পনিক জীৱৰ দ্বাৰা নিয়ন্ত্ৰিত বুলি বিশ্বাস কৰা হয়।

যাদু মানুহৰ আদিমতম অন্ধবিশ্বাস। এই অন্ধবিশ্বাস পৃথিৱীৰ সকলো দেশতে বৰ্তমান আৰু সেয়ে আমাৰ ভাৰতবৰ্ষও ইয়াৰ ব্যতিক্ৰম নহয়। ভাৰতবৰ্ষত হিন্দু, জৈন আৰু বৌদ্ধ— এই কেইটা প্ৰধান ধৰ্মীয় সম্প্ৰদায়ৰ যাদুৰ ওপৰত বিশ্বাস বা আনকথাত সেই আদিম অন্ধবিশ্বাস আছে আৰু তাৰ সাক্ষী হৈছে প্ৰায় তিনি হেজাৰতকৈও অধিককাল ব্যাপী চলি অহা হিন্দুৰ বেদ, ব্ৰাহ্মণ, পুৰাণতন্ত্ৰ আদি গ্ৰন্থবোৰ আৰু জৈন আৰু বৌদ্ধসকলৰ তন্ত্ৰ গ্ৰন্থবোৰ।

মানুহ প্ৰকৃতিৰ ৰাজ্যত বসবাস কৰি জীয়াই আছে। প্ৰকৃতিৰ পৰাই সি জীয়াই থকাৰ সামগ্ৰী লাভ কৰি আহিছে। যদিও বহুক্ষেত্ৰত জীয়াই থাকিবৰ কাৰণে সি প্ৰকৃতিৰ লগত সংঘৰ্ষ কৰিব লগা হৈছে। সংঘৰ্ষ কৰিব লগা হয় প্ৰকৃতি ৰাজ্যত থকা তাৰ শত্ৰুবোৰৰ লগত। এই শত্ৰুবোৰৰ কিছুমান প্ৰাকৃতিক, কিছুমান অপ্ৰাকৃতিক, কিছুমান দৃশ্য, কিছুমান অদৃশ্য। ইয়াৰে কিছুমান শত্ৰুক মানুহে তাৰ শাৰীৰিক শক্তিৰে বশ কৰিব পাৰে আৰু কিছুমানক নোৱাৰে। এই নোৱাৰাবোৰৰ কাৰণেই মানুহে তাৰ অভিপ্ৰেত লাভৰ কাৰণে যাদুকৰৰ ওচৰ চাপে, যাদুৰ সহায় লয়। যাদু, ঔষধ, প্ৰেতাত্মাৰ আহ্বান, ভৱিষ্যদ্বাণী, নানা প্ৰকাৰৰ আচাৰ-অনুষ্ঠান আদি কাৰ্যৰে প্ৰকৃতিক বশ কৰিবলৈ বা বাধ্য কৰিবলৈ চেষ্টা কৰা হয়। ইয়েই যাদুৰ সূচনা। হিন্দুসকলৰ অথৰ্ববেদতেই এনে যাদুৰ প্ৰথম প্ৰবেশ ঘটা দেখা গৈছে। সি যি নহওক, এইবোৰেই পাছত তান্ত্ৰিক যুগৰ পূৰ্ণপৰ্যায়ৰ যাদুলৈ ৰূপান্তৰিত হ'ল। কোটিল্যই প্ৰয়োজন হলে ৰজাকো যাদুৰ

(ইন্দ্রজালৰ) সহায় ল'বলৈ পৰামৰ্শ দিছে। যাদু বা ইন্দ্রজালৰ কৃতিত্বৰ অলেখ কাহিনী পুৰাণবোৰতো আছে। ড° বিনয়তোষ ভট্টাচাৰ্য দেৱৰ মতে খ্ৰীষ্টীয় সপ্তম শতাব্দীৰ শেষাৰ্ধৰ পৰা মুছলমানসকলৰ আগমনৰ দিনলৈকে এই কালছোৱা ভাৰতীয়সকল ইন্দ্রজাল বা যাদু চৰ্চাৰ নামত একপ্ৰকাৰ উন্মাউল হৈ পৰিছিল। আগতেই কোৱা হৈছে যে এই কালছোৱাকেই অসম তথা ভাৰত বুৰঞ্জীত তন্ত্র চৰ্চাৰ যুগ বা তান্ত্রিক যুগ বুলি অভিহিত কৰিব পৰা যায়।

উল্লেখ কৰি অহা হৈছে যে যাদু বা ইন্দ্রজাল মানুহৰ আদিম বিশ্বাস। ভাৰতবৰ্ষতো আদিম অধিবাসী, বিভিন্ন আৰ্য্যেতৰ গোষ্ঠীৰ লোকসকলৰ মাজতহে ইয়াৰ প্ৰচলন বেছি। কোনো কোনো পণ্ডিতে যাদু বহিৰ্ভাৰতীয় উপাদান বুলিও ক'ব খোজে। যাদু বা মন্ত্ৰৰ প্ৰথম উৎপত্তিস্থান কি আৰু কোন জাতিয়ে ইয়াক প্ৰথমে চৰ্চা কৰিছিল, সি মত-দ্বৈধৰ স্থল। তথাপি এই কথা ঠিক যে আদিম অৱস্থাৰ পৰা অধিক অগ্ৰসৰ নোহোৱা বিভিন্ন আৰ্য্যেতৰ গোষ্ঠীৰ মাজতেই ইয়াৰ প্ৰচলন বেছি আৰু এওঁলোকৰ মাজৰ পৰাই আৰ্যসমাজত ইয়াৰ প্ৰৱেশ ঘটিছিল। আমাৰ অসমতো দেখা যায় যে যদিও বা তন্ত্ৰ-মন্ত্ৰৰ প্ৰধান কেন্দ্ৰ বুলি খ্যাতি লাভ কৰা কামাখ্যা মূলতে অষ্ট্ৰীয় খাছিসকলৰ তীৰ্থস্থান আছিল। কামাখ্যাৰ পিচতে যাদুৰ ক্ষেত্ৰত খ্যাতি লাভ কৰা নগাঁও জিলাৰ মায়ং অঞ্চল আৰ্য্যেতৰ বড়ো কছাৰীৰ অঞ্চল। ফেঞ্চিচ হেমিলটন চাহাবে তেওঁৰ 'Account of Assam' গ্ৰন্থত উল্লেখ কৰি গৈছে যে আহোম ৰজাৰ বিষয়া, নগাঁৱৰ ৰহাত থকা ৰহীয়াল বৰুৱাই ডিমৰুৱাৰ ৰজাক বৰ সমীহ কৰি চলিছিল, কাৰণ ডিমৰুৱা ৰজাই যাদু বা তন্ত্ৰ-মন্ত্ৰ জানে বুলি খ্যাতি আছিল আৰু তন্ত্ৰ-মন্ত্ৰৰে তেওঁ মানুহৰ অপকাৰ কৰিব পাৰে বুলিও বিশ্বাস প্ৰচলিত আছিল। এই ডিমৰুৱা ৰজাও বড়ো-কছাৰী ফৈদৰ লোক। গতিকে তন্ত্ৰৰ উৎস যাদু বা ইন্দ্রজালৰ চৰ্চা ভাৰতবৰ্ষত আদিম অধিবাসী আৰ্য্যেতৰ গোষ্ঠীৰ বিভিন্ন ফৈদৰ লোকসকলৰ মাজতেই প্ৰথমে আৰম্ভ হৈছিল।

**অসমত তন্ত্ৰৰ চৰ্চা ঃ**

হিন্দু আৰু বৌদ্ধ— এই দুয়ো সম্প্ৰদায়েই অসমত তন্ত্ৰ চৰ্চা কৰাৰ কথা উল্লেখ কৰি অহা হৈছে। হিন্দুতকৈ তান্ত্রিক বৌদ্ধ সম্প্ৰদায়ৰ, অৰ্থাৎ বজ্ৰযানী বৌদ্ধ সম্প্ৰদায়ৰ বৰঙনিয়েই এইক্ষেত্ৰত বেছি। অসমত যোগিনীতন্ত্ৰ, কালিকা পুৰাণ আদি যিবোৰ তান্ত্রিক গ্ৰন্থ পোৱা গৈছে সেইবোৰত তান্ত্রিক বৌদ্ধ ধৰ্মৰ প্ৰভাৱ সুস্পষ্ট। হিন্দু তন্ত্ৰ গ্ৰন্থবোৰত বা হিন্দুৰ বিভিন্ন পীঠস্থানৰ পূজা-পদ্ধতিত তান্ত্রিক বৌদ্ধ ধৰ্মৰ উপাদান ওতঃপ্ৰোতভাৱে সংশ্লিষ্ট হৈ আছে। ইয়াৰ ফলতেই হিন্দু তান্ত্রিক গ্ৰন্থত বা বিভিন্ন পীঠস্থানৰ পূজা পদ্ধতিবোৰত হিন্দু তান্ত্রিকতাই বা কিমান আৰু কোনখিনি আৰু বৌদ্ধ তান্ত্রিকতাই বা কিমান আৰু কোনখিনি সেই কথাৰ স্পষ্ট আভাস দিব পৰা নাযায়। উদাহৰণস্বৰূপে যোগিনীতন্ত্ৰত বৰ্ণনা কৰা কৌলাচাৰ আৰু ধৰ্ম বা শূন্যৰ উপাসনাৰ কথাকে ল'ব পাৰি। কৌলসকলে নিজকে হিন্দু বুলিও ক'লেও আৰু তেওঁলোকৰ কৌলাচাৰ আৰু তান্ত্রিক বৌদ্ধাচাৰৰ পাৰ্থক্য অতি নগণ্য। তদুপৰি তেওঁলোকে নিজকে পঞ্চধ্যানী বুদ্ধৰ সম্প্ৰদায়ৰ অনুগামী বুলি অভিহিত কৰে। সেইদৰে শূন্য বা ধৰ্মৰ উপাসনাতো তান্ত্রিক বৌদ্ধ ধৰ্মৰ উপাদান যথেষ্ট। সি যি নহওক, হিউৱেন চাঙৰ বৰ্ণনাৰ পৰা অনুমান কৰিব পাৰি যে ভাস্কৰ বৰ্মাৰ দিনতো বৌদ্ধ সম্প্ৰদায় অসমত আছিল আৰু সম্ভৱ তেওঁলোকে সেই সময়ত গোপনে তেওঁলোকৰ ধৰ্ম আচৰণ কৰিছিল। কিন্তু ক্ৰমে তেওঁলোকে অসমত শক্তিশালী হ'বলৈ ধৰিলে আৰু পালবংশৰ ৰজাসকলৰ ৰাজত্বকালৰ তান্ত্রিক বৌদ্ধধৰ্মৰ ৰাজধৰ্ম হৈ পৰিল। আকৌ শংকৰাচাৰ্যৰ নেতৃত্বত হিন্দু ধৰ্মৰ অভ্যুত্থান হোৱাৰ লগে লগে বৌদ্ধ ধৰ্মই পুনৰ ছদ্মবেশেৰে আত্মগোপন কৰি হিন্দু সম্প্ৰদায়ৰ অন্তৰালত লুকাই পৰিছিল বা ছদ্মবেশ আৰু ছদ্ম নামেৰে নিজৰ অস্তিত্ব বাহাল ৰাখিছিল। ইয়াৰ ফলতো তান্ত্রিক হিন্দু ধৰ্ম আৰু তান্ত্রিক বৌদ্ধ ধৰ্মৰ সংমিশ্ৰণ ঘটিছিল।

হিন্দু ঔপনিৱেশিক কালৰ পৰাই, অৰ্থাৎ খ্ৰীষ্টপূৰ্ব ১ম-২য় শতাব্দী মানৰ পৰাই অসমলৈ আৰ্যসকলৰ প্ৰব্ৰজন ঘটিছিল আৰু হিন্দু শৈৱ ধৰ্মই সম্ভৱ তেতিয়াৰ পৰাই ইয়াৰ তিব্বত-বৰ্মী গোষ্ঠীৰ বিভিন্ন ফৈদৰ ৰজা আৰু লোকসকলৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিছিল। অসমত হিন্দু আৰ্য সভ্যতাৰ এয়ে সূচনা বুলি অনুমান কৰিব পাৰি। কোৱা নিষ্প্ৰয়োজন যে য'তেই শৈৱ ধৰ্মৰ প্ৰৱেশ ঘটিছিল তাতেই আনুষংগিকভাৱে হিন্দু শক্তি ধৰ্ম বা শক্তি উপাসনাৰো প্ৰৱেশ ঘটিছিল। পাল বংশৰ আগৰ প্ৰাচীন কামৰূপত তিব্বত-বৰ্মী গোষ্ঠীৰ বিভিন্ন ফৈদৰ ৰজাসকলৰ কোনো কোনো তামৰ ফলিত ৰজাৰ উপাস্য মহেশ্বৰ বা শিৱ বা উমা-মহেশ্বৰ উভয়েৰে নাম উল্লেখ কৰা দেখা গৈছে। ইয়াতকৈ পৰৱৰ্তী কালত কালিকা পুৰাণ আৰু যোগিনী তন্ত্ৰত কামৰূপক দেৱী বা শক্তিৰ উপাসনাৰ স্থান হিচাপে কিছুমান পীঠত ভাগ কৰা হৈছে। এই পীঠবোৰত শিৱ-পাৰ্বতীৰ উপাসনাৰ কথা আৰু পদ্ধতিও যুগপৎ কোৱা হৈছে। পীঠস্থান বুলিয়েই সাধাৰণতে দেৱী বা শক্তিৰ বিশেষকৈ সতীৰ দেহৰ অংগ পতিত বিভিন্ন স্থানৰ কথা বুজা যায়। ইয়াৰ বাহিৰেও পীঠ বুলিলে প্ৰাচীন

দেৱালয়কো বুজায়। কিন্তু কালিকা পুৰাণ বা যোগিনী তন্ত্ৰই উল্লেখ কৰা এই পীঠবোৰ দেৱী বা শক্তিৰ উপাসনাৰ স্থান। কালিকা পুৰাণে শক্তি উপাসনা বা তান্ত্ৰিক উপাসনাৰ চাৰিখন প্ৰধান পীঠৰ কথা উল্লেখ কৰিছে, সেইকেইখন হৈছে (১) ওড্ৰ, (২) জালশৈল, (৩) পূৰ্ণপীঠ আৰু (৪) কামৰূপ। কালিকা পুৰাণে কামৰূপ এখন পীঠ বুলি কৈছে। আনহাতে যোগিনীতন্ত্ৰই (১) ভদ্ৰপীঠ (২) জালন্ধৰ (৩) পূৰ্ণপীঠ (৪) কামৰূপ (৫) কোলবাপুৰ (৬) বিহাৰ (৭) মহেন্দ্ৰ (৮) শ্ৰীহট্ট আৰু (৯) ওড্ৰ এই নখন শক্তি বা তান্ত্ৰিক উপাসনাৰ প্ৰধান পীঠ বুলি উল্লেখ কৰিছে আৰু কামৰূপকো আকৌ নখন পীঠত ভাগ কৰিছে। যেনেঃ (১) পুণ্যাখ্য, (২) মধ্যপীঠ (৩) নীলপীঠ (৪) সৌমাৰ পীঠ (৫) ইয়তাম্ৰ (৬) শিৱতন্ত্ৰ (৭) বৰাহী (৮) কোলপীঠ আৰু (৯) শ্ৰীপীঠ। আন এক প্ৰসংগত যোগিনীতন্ত্ৰই ৰত্নপীঠ বুলিও এখন পীঠৰ কথা কৈছে। ৰঘুবংশত হেমপীঠ বুলিও এখন পীঠৰ কথা উল্লেখ আছে। যোগিনীতন্ত্ৰত উল্লেখ কৰা পীঠবোৰৰ ভিতৰত পুণ্যাখা, নীলপীঠ আৰু সৌমাৰপীঠৰ বাহিৰে বাকীবোৰ পীঠৰ সীমা নিৰ্ণয় কৰা সম্ভৱ নহয়। পৰৱৰ্তী কালৰ সংস্কৃত গ্ৰন্থ হৰগৌৰী সম্বাদত সীমাসহ কামৰূপক চাৰিখন প্ৰধান পীঠত ভাগ কৰা হৈছে। এই চাৰিখন পীঠ হৈছে ঃ কৰতোৱা আৰু স্বৰ্ণকোষ (সোণকোষ)ৰ মাজত (১) ৰত্নপীঠ; স্বৰ্ণকোষ (সোণকোষ) আৰু কপিলীৰ মাজত (২) কামপীঠ, পুষ্পিকা আৰু ভৈৰৱীৰ মাজত (৩) স্বৰ্ণপীঠ; ভৈৰৱী আৰু দিকৰউৰ মাজত (৪) সৌমাৰপীঠ। ৰঘুবংশত উল্লেখ কৰা হেমপীঠ সম্ভৱ ৰত্নপীঠৰ আন এটি নামান্তৰ। এই পীঠবোৰেই আছিল অসমত হিন্দুৰ শক্তি উপাসনা বা তান্ত্ৰিক পদ্ধতিৰে নানা প্ৰকাৰ চৰ্চাৰ প্ৰধান কেন্দ্ৰস্থল। হিন্দুসকলৰ দৰে তান্ত্ৰিক বৌদ্ধসকলৰো কেইবাখনো পীঠ বা সাধনাৰ কেন্দ্ৰ কামৰূপ অৰ্থাৎ প্ৰাচীন অসমত অৱস্থিত বুলি বজ্ৰযানী বৌদ্ধসকলৰ 'সাধনা মালা'ৰ পৰা জনা যায়। অসমত সহজযানী বৌদ্ধ ধৰ্ম প্ৰচলন থকাৰ কথাও কোৱা হৈছে। সহজযানৰ যি ৮৪ জন সিদ্ধাচাৰ্যৰ কথা পোৱা যায়, তেওঁলোকো বজ্ৰযান মানি চলা সিদ্ধ বা সিদ্ধাচাৰ্য। আকৌ অসমত হঠযোগী নাথপন্থীসকলেও প্ৰাধান্য বিস্তাৰ কৰিছিল। সিদ্ধাচাৰ্যসকলৰ লগত নাথ ধৰ্মও জড়িত হৈ আছে। কাৰণ বজ্ৰযানী বা সহজীয়া সিদ্ধাচাৰ্যসকলৰ ভিতৰত খ্যাতি লাভ কৰা লুইপা বা মৎস্যেন্দ্ৰ নাথকেই হঠযোগী নাথপন্থীসকলৰ প্ৰথম গুৰু বুলি কোৱা হয়। গতিকে অসমত তন্ত্ৰ চৰ্চাৰ বিষয়ে আলোচনা কৰিবলৈ যাওঁতে স্বাভাৱিকতেই এই তিনিওটা পন্থাৰ কথা আহি পৰে। তিনিওটা পন্থাই স্বকীয়তা দাবী কৰিলেও এই তিনিওটা পন্থাৰ স্বকীয় বৈশিষ্ট্য বা পৰম্পৰাৰ মাজত থকা পাৰ্থক্যখিনি আতৰৰ পৰা দাঙি ধৰিব পৰা সম্ভৱ নহয়। কিন্তু তিনিওটাৰে মাজত যে যোগসূত্ৰ আছে সেই কথা ঠিক। কাৰণ বজ্ৰযানৰ সিদ্ধাচাৰ্যসকলৰ লগত সহজযানৰ সিদ্ধাচাৰ্যৰ সম্বন্ধ আছে আৰু বজ্ৰযানী আৰু সহজীয়াই মানি লোৱা আন এজন প্ৰখ্যাত সিদ্ধাচাৰ্য লুইপা হঠযোগী নাথ সম্প্ৰদায়ৰ প্ৰথম গুৰু। তান্ত্ৰিক বৌদ্ধ ধৰ্ম মূল বৌদ্ধ ধৰ্মৰ প্ৰতি এটা প্ৰত্যাহ্বান। বুদ্ধই নিৰ্বাণৰ কোনো সূত্ৰ বা ব্যাখ্যা স্পষ্টভাৱে দি থৈ যোৱা নাই। হীনযানী বৌদ্ধসকলৰ ভিতৰত অশ্বঘোষে তেওঁৰ সৌন্দৰানন্দ গ্ৰন্থত নিৰ্বাপক প্ৰদীপৰ নুমাই যোৱা অগ্নি শিখাৰ অৱস্থাৰ লগত তুলনা কৰিছে, এনে অৱস্থাত আৰু কোনো ক্লেশ নাথাকে। কিন্তু মহাযানী বৌদ্ধসকল এই ব্যাখ্যাত সন্তুষ্ট নহ'ল। তেওঁলোকে নিৰ্বাণক শূন্য বুলি অভিহিত কৰিলে, যিটো অৱস্থা মধ্যমক সম্প্ৰদায়ৰ প্ৰতিষ্ঠাতা নাগাৰ্জুনৰ মতে এনে অৱস্থা যিটোৰ অস্তিত্বও নাই, অস্তিত্ব নোহোৱাও নহয় বা দুয়োটাৰে সংযোজনো নহয়, বিয়োজনো নহয়। এই সূত্ৰয়ো সকলোকে সন্তুষ্ট কৰিব নোৱাৰিলে। মৈত্ৰেয়ৰ দ্বাৰা প্ৰতিষ্ঠিত যোগাচাৰীসকলে 'মহাসুখবাদ' অভিধাৰে নিৰ্বাণৰ নতুন সূত্ৰ আগবঢ়ালে। এই নতুন সূত্ৰমতে বজ্ৰযানীসকলে নিৰ্বাণৰ তিনিটা উপাদান থকা বুলি মানি ল'লে, সেই তিনিটা হৈছে শূন্য, বিজ্ঞান আৰু মহাসুখ। তিনিওৰে সংযোগেই হ'ল বজ্ৰ, কাৰণ তেওঁলোকৰ মতে ই বজ্ৰৰ দৰে দৃঢ় আৰু শক্তিশালী, অপৰিৱৰ্তনীয়, অভেদ্য, অছেদ্য অদাহ্য আৰু অবিনাশী (indestructible)। এই মহাসুখবাদী তথা বজ্ৰযানীসকলেই হ'ল মূল বৌদ্ধ ধৰ্মৰ প্ৰতি এটা বিৰাট প্ৰত্যাহবান।

কিয়নো বুদ্ধই তেওঁৰ শিষ্যসকলক সকলো প্ৰকাৰৰ সাংসাৰিক উপভোগ, বিলাস-বাসন, বিশেষকৈ মৎস্য, মাংস, মদ, মাইকী পৰিহাৰ কৰিবলৈ পৰামৰ্শ দিছিল। কিন্তু এই তান্ত্ৰিক বৌদ্ধসকলে পঞ্চকাৰৰ ৰূপত এই মৎস্য, মাংস, মদ, মৈথুন আৰু ষটকৰ্মৰ (মাৰণ, উচাটন, বশীকৰণ, স্তম্ভন, বিদ্বেষণ, স্বস্ত্যয়ন) নিচিনা কু-ক্ৰিয়া (black art) আদিকো তেওঁলোকৰ উপাসনা সাধনা আদিত সুমুৱাই লৈছিল। এওঁলোকৰ মতে মহাসুখৰ অৱস্থা হৈছে স্ত্ৰীসংগম (মৈথুন) অৱস্থাত পোৱা সুখৰ দৰে। গতিকে তান্ত্ৰিক বৌদ্ধসকলৰ কিছুমান স্ত্ৰী বা শক্তিৰ লগত জড়িত হৈ পৰিছিল। শক্তিৰ লগত হোৱা মিলনক 'যোগ' বোলা হয়। এওঁলোকৰ গুৰুও শক্তিৰ লগত মিলিত যুগনদ্ধ ৰূপ। এই যোগেই হ'ল, এওঁলোকৰ মতে নিৰ্বাণ লাভৰ শক্তিশালী উপায়।

এওঁলোকৰ মতে এই তিনিওলোক বজ্ৰধৰে উপাসনাকাৰীসকলৰ ভোগৰ কাৰণেই সৃষ্টি কৰিছে। যি নিৰ্বাণ লাভৰ কাৰণে চেষ্টা কৰে তেওঁ প্ৰজ্ঞা পাৰমিতা (perfect truth) উপভোগ কৰা উচিত; এই প্ৰজ্ঞা আছে পৃথিবীৰ সকলো স্ত্ৰীতে। গতিকে কোনো ব্যতিক্ৰম নাৰাখি স্ত্ৰী উপভোগ কৰিব লাগে। কিন্তু এই ক্ষেত্ৰতো সিদ্ধগুৰুৰ যোগেদিহে আগবাঢ়িব লাগে আৰু তাৰ কাৰণে নিজক ক্ৰমে প্ৰস্তুত কৰি তুলিব লাগে। 'গুহ্য সমাজ'ত এনে কিছুমান প্ৰথা আছে যিবোৰ সেইবোৰ জনাৰ ক্ষেত্ৰত নিজকে আগতে প্ৰস্তুত কৰি নুতুলিলে দিয়া নহয়। অনুমান কৰা হয় যে প্ৰথমতে এইক্ষেত্ৰত গোপনীয়তা অৱলম্বন কৰা হৈছিল। আৰু ব্যক্তিগতভাৱে গুৰু পৰম্পৰাৰ যোগেদি বহুকাল ধৰি এইবোৰ প্ৰথা চলি আহিছিল। পাছলৈ গুৰুসকলে বা সিদ্ধসকলে এইবোৰ লিখিবলৈ ধৰিছিল। বজ্ৰযানৰ গুৰু সিদ্ধাচাৰ্যসকলে লিখাৰ কাৰণে যি ভাষা ব্যৱহাৰ কৰিছিল, সেই ভাষাৰ নাম সান্ধ্য ভাষা। সান্ধ্য ভাষাত ৰচিত গীত বা পদবোৰৰ গোপন অৰ্থ বা ৰাহস্যিক অৰ্থ থাকে আৰু গুৰুৰ যোগেদিহে শিষ্যসকলে এইবোৰৰ অৰ্থ বুজিব পাৰে। এইদৰেই কালক্ৰমত যোগাচাৰ দৰ্শনৰ যোগেদি বজ্ৰযান পন্থাৰ বিকাশ সংঘটিত হৈ উঠিছিল।

বজ্ৰযান আৰু সহজযানৰ মাজত বিশেষ পাৰ্থক্য নাই। দৰাচলতে বজ্ৰযান, সহজযান আৰু নাথপন্থা— এই তিনিওটাতেই যোগমাৰ্গৰ প্ৰভাৱ সুস্পষ্ট। সহজযান বজ্ৰযানৰ সমসাময়িক সহজীয়া সিদ্ধাচাৰ্যসকলৰ ভালেকেইজন অসমৰ লোক। 'সহজীয়াসকলৰ মতে সহজাৱস্থা লাভেই পূৰ্ণতাসিদ্ধি। ইয়াৰে নামান্তৰ হৈছে নিৰ্বাণ, মহাসুখ, সুখৰাজ, মহামুদ্ৰা সাক্ষাৎকাৰ ইত্যাদি। এই অৱস্থাত বাচ্য-বাচক জ্ঞাতৃ-জ্ঞেয় আৰু ভোক্ত-ভোগ্যভাৱ নাথাকে, উভয়নিষ্ঠ সম্বন্ধও নাথাকে। জ্ঞাতা, জ্ঞেয় আৰু জ্ঞান এই ত্ৰিপুটিয়েই বিকল্প জাল— ইয়াক ভেদি কৰি নিৰ্বিকল্প পদৰ উপলব্ধিয়েই হ'ল সহজ অৱস্থা। ইয়াত মনপ্ৰাণৰ সঞ্চাৰ নাই আৰু চন্দ্ৰ-সূৰ্যৰো প্ৰৱেশাধিকাৰ নাই। চন্দ্ৰ-সূৰ্য হ'ল ইড়া পিংগলাময় আৱৰ্তনশীল কালচক্ৰৰ নামান্তৰ। শান্তিময় নিৰ্বাণপদ কালচক্ৰৰ অতীত বুলিয়েই তাত চন্দ্ৰ সূৰ্যৰ ক্ৰিয়া লক্ষিত নহয়। উন্মনী ভাৱ হ'লেই মনোলয় ঘটে। গতিকে যিটো অৱস্থা, উন্মনীৰো পৰাৱস্থা বুলি বৰ্ণিত হৈ থাকে, তাত যে মনৰ ক্ৰিয়া নাথাকে, কোনো প্ৰকাৰ বৃত্তিৰ উদয় নহয় তাক কোৱাই বাহুল্য। প্ৰাণস্থিৰ বুলিয়েই তাত শ্বাস-প্ৰশ্বাস নচলে। তাৰ বায়ুত তৰংগ নাই— সেইকাৰণেই শাস্ত্ৰত এই স্থিৰ স্তিমিত বায়ুক গগন বুলি আখ্যা দিয়া হৈছে। সহজীয়াসকলৰ মতে এই নিৰ্বাণেই 'নিজ স্বভাৱ' (নিজ সহাব)— ইয়েই পৰমাৰ্থ। ইয়াৰ যি আনন্দ, যাক মহাসুখ বোলা হয়, সি সহজ বুলি এক, কাৰণহীন আৰু সদোদিত। এই অৱস্থা লাভ কৰিব নোৱাৰিলে জৰা-মৃত্যুৱেও লগ নেৰে। যি পৰ্যন্ত বায়ুৰ চলন থাকে সেই পৰ্যন্ত সংকল্পৰ প্ৰভাৱ অৱশ্যম্ভাৱী। ইয়াৰে ফল হৈছে ভ্ৰান্তিৰ বিকাশ। সংকল্পবশতঃ সকলো কাৰ্যতে নিজৰ কৰ্তৃত্বাভিমান জাগে— নিজকে কৰ্তা বুলি ভাবে। দৰাচলতে জগতৰ সকলো কাম স্বভাৱৰ পৰাই উৎপন্ন হয় আৰু স্বভাৱতেই বিলীন হয়— কৰ্তা বুলি একো নাই। গতিকে কৰ্তৃত্ববোধ অজ্ঞানীৰ বিলাসমাত্ৰ। বায়ু স্থিৰ হৈ গ'লেই সংকল্পজাল কাটি যায়— জ্ঞানমুদ্ৰাৰ উপলব্ধি ঘটি মিথ্যাজ্ঞান আৰু কৰ্তৃত্বাভিমান বিলুপ্ত হয়। 'স্বভাৱেই সকলোৰে মূল, কৰ্তা কোনোৰেই নাই' এই বোধেই হ'ল শুদ্ধবোধ আৰু জ্ঞানমুদ্ৰা। এই বোধৰ উদয় হোৱা মাত্ৰকে সকলো ধৰ্মৰ শোধন হৈ সংকল্প-বিকল্পৰ অতীত নিৰ্বিকাৰ নিৰঞ্জন প্ৰাপ্তি ঘটে।' কিন্তু এই অৱস্থা লাভৰ উপায় কি? একমাত্ৰ গুৰুপদেশেই এই অৱস্থা লাভৰ উপায়। আকৌ গুৰুৰনো স্বৰূপ কি? সহজীয়াসকলৰ মতে শ্ৰীগুৰু 'যুগনদ্ধৰূপ'— মিথুনাকাৰ। এওঁ শূন্যতা আৰু কৰুণাৰ মিলিত মূৰ্তি (এই শূন্যতা আৰু করুণাই হৈছে হিন্দু তন্ত্ৰৰ যথাক্ৰমে শিৱ আৰু শক্তি)— উপায় আৰু প্ৰজ্ঞাৰ সমৰস বিগ্ৰহ। কেৱল প্ৰজ্ঞাৰ দ্বাৰা বা কেৱল উপায়ৰ দ্বাৰা বুদ্ধত্ব লাভ সম্ভৱ নহয়; বুদ্ধত্ব লাভৰ কাৰণে প্ৰজ্ঞা আৰু উপায় - এই দুয়োৰে সাম্য বা অভিন্নতা সম্পাদন হ'ব লাগে। সেই অৱস্থাতেই ভোগ আৰু মোক্ষ দুয়োটা একে হৈ যায়। প্ৰজ্ঞাৰ লক্ষণ হৈছে নিঃস্বভাৱ আৰু উপায়ৰ লক্ষণ স্বভাৱ।

উল্লেখ কৰা এই যুগলৰূপেই পৰমাৰ্থৰূপ, মহাসুখৰ আলয়। গুৰুৰ আশ্ৰয় নহ'লে সংসাৰৰ পৰা উদ্ধাৰ লাভ কৰা সম্ভৱ নহয় বা সংসাৰ আৰু নিৰ্বাণত সমদৃষ্টি লাভ নহয়। গতিকে সহজীয়া পন্থাত গুৰু অপৰিহাৰ্য।

হঠযোগী নাথপন্থীৰ সাধন প্ৰণালীক 'সিদ্ধপথ' বোলা হয়। কোৱা নিষ্প্ৰয়োজন যে এই সিদ্ধপথ বা সিদ্ধিমাৰ্গও তান্ত্ৰিক বৌদ্ধ ধৰ্মৰেই এটা শাখা। মহামহোপধ্যায় গোপীনাথ কবিৰাজ ডাঙৰীয়াই কৈছে যে সিদ্ধমাৰ্গ বা হঠমাৰ্গ আৰু বজ্ৰ বা সহজমাৰ্গৰ ভিতৰত বস্তুতঃ বহু পৰিমাণে সাধৰ্মও আছে। হঠযোগীসকলে যেতিয়া কয় যে 'যেতিয়া চিত্তই সমতা লাভ কৰে, বায়ু মধ্যপথেৰে গমন কৰে, তেতিয়াই আমৰোণী, বজ্ৰোলী আৰু সহজোনী আপোনা-আপুনি আয়ত্ত হয়।' তেতিয়া এই বজ্ৰোলী সহজোলী শব্দই স্বাভাৱিকতেই সহজযান

বা বজ্ৰযানৰ লগত সিদ্ধমাৰ্গৰ সম্বন্ধৰ কথা মনলৈ আনি দিয়ে। কিন্তু সিদ্ধমাৰ্গী বা নাথপন্থীসকলে তেওঁলোকৰ মাৰ্গত শক্তি বা স্ত্ৰীৰ সংসৰ্গ স্বীকাৰ নকৰে আৰু তেওঁলোকে নিজকে শৈৱধৰ্মী বুলিহে কয়। তেওঁলোকৰ পন্থত বা মাৰ্গত যোগৰ প্ৰাধান্যই বেছি। অৱশ্যে সিদ্ধসকলৰ দ্বাৰা আচৰিত ধৰ্মও বহুক্ষেত্ৰত হঠযোগেৰে অভিন্ন। সিদ্ধমাৰ্গীসকলৰ পন্থত দেহসিদ্ধিৰ ব্যতিৰেকে আত্মাৰ স্বৰূপ উপলব্ধি সম্ভৱ নহয়।

যি ব্যৱস্থাৰ দ্বাৰা দেহ আৰু আত্মাৰ ভিন্নতা লোপ পায়, দুয়োৰে মাজত মৌলিক অভিন্নতা প্ৰতিষ্ঠিত হয়, সেই সাধন প্ৰণালীকে সিদ্ধমাৰ্গীসকলে 'যোগ' বুলি অভিহিত কৰে। সিদ্ধপন্থৰ আদি নাথৰ মতে যোগৰ ব্যতিৰেকে পৰাৱস্থা উপলব্ধি অসম্ভৱ। পিণ্ড বা দেহ শুদ্ধ নহ'লে বা দেহ-জ্ঞানৰ সম্যক স্ফূৰণ নহ'লে পৰমপদৰ লগত তাৰ ঐক্য বা অভেদতা প্ৰতিষ্ঠিত নহয়। এই দেহ বা পিণ্ড শুদ্ধিৰ একমাত্ৰ উপায় যোগাভ্যাস। যেতিয়ালৈকে দেহ শুদ্ধ নহয়, যেতিয়ালৈকে দেহ জয় নহয়, তেতিয়ালৈকে মুক্তি লাভ হ'ব নোৱাৰে। যোগৰ অবিহনে জ্ঞান, বৈৰাগ্য, জপ সকলোৱেই নিষ্ফল। জ্ঞান লাভ হ'লেও বা বৈৰাগ্য লাভ হ'লেও, যোগৰ অবিহনে দেহ শুদ্ধি নহ'লে মানুহ স্খলিত হ'ব পাৰে। এওঁলোকৰ মতে বহুজন্মৰ জ্ঞানৰ ফলত যোগ লাভ হয়। কিন্তু যোগৰ ফলত একে জন্মতে জ্ঞান লাভ হয়। গতিকে মোক্ষ বা মুক্তিৰ কাৰণে জ্ঞান আৰু যোগ উভয়ৰে প্ৰয়োজন বুলি ক'লেও এওঁলোকে যোগৰ প্ৰাধান্যকহে প্ৰধানকৈ মানি লয়। চিত্ত আৰু প্ৰাণ পৰস্পৰ সম্বন্ধযুক্ত। এই চিত্ত বা প্ৰাণ জয় বা শুদ্ধ কৰাৰ পথ হ'ল যোগ। যোগৰ দ্বাৰা বিশুদ্ধ চিত্তত আত্মজ্ঞান প্ৰত্যক্ষ অনুভূতিৰূপে আপোনা-আপুনি উদিত হয়। এয়ে সিদ্ধমাৰ্গৰ মূল কথা। আমি (কিন্তু) নাজানো, অচিন্ত যোগী জনম মৰণ ভৱ (সংসাৰ) কেনেকৈ হয়।'

সৰহৰ শিষ্য নাগাৰ্জুনো অসমৰে লোক। এওঁৰ সময় বিনয়তোষ ভট্টাচাৰ্যদেৱে খ্ৰীষ্টাব্দ ৬৪৫ বুলি কৈছে, কিন্তু ড° চৌধুৰীদেৱে এওঁৰ সময় খ্ৰীষ্টীয় দশম বুলি কয়। সাধনমালা আৰু অন্যান্য সমলৰ পৰা জনা যায় যে বজ্ৰতাৰা আৰু একজঁটা — এই দুই দেৱীৰ সাধনা প্ৰক্ৰিয়াৰ লগত এওঁ জড়িত। একজঁটাৰ ভণিতাত এই সাধন প্ৰণালী নাগাৰ্জুনে ভোট দেশৰ পৰা উদ্ধাৰ কৰা বুলি কোৱা হৈছে ঃ 'আৰ্য নাগাৰ্জুনপাদৈঃ ভোটেষু উদ্ধৃতম।' একজঁটাৰ অৰ্বাচনী নাম মহাচীন, তাৰা আৰু উগ্ৰতাৰা। আমি আগতে উল্লেখ কৰি অহা গুৱাহাটীৰ উগ্ৰতাৰা মন্দিৰ মূলতে একজঁটাৰ মন্দিৰ। নাগাৰ্জুনে ভোট উপাসনা প্ৰৱৰ্তন কৰাৰ পাছত ৰজা ৰত্নপাল বা ইন্দ্ৰপালে একজঁটাৰ উপাসনাৰ কাৰণে এই মন্দিৰ নিৰ্মাণ কৰিছিল বুলি ড° চৌধুৰীদেৱে অনুমান কৰিছে। সিদ্ধাচাৰ্যসকলৰ ভিতৰত তৃতীয় স্থান লাভ কৰা আৰু নাগাৰ্জুনৰ শিষ্য হ'ল সৱৰীপা বা সৰৱপা। এওঁ সাধনামালত সন্নিবিষ্ট 'কুৰুকুল্লা'ৰ সাধনা ৰচনা কৰে। ড° বিনয়তোষ ভট্টাচাৰ্যই এওঁক বঙালী বুলি ক'ব খোজে। কিন্তু সাধনামালাৰ অন্তৰ্গত (শুক্ল কুৰুকুল্লা' সাধনাত যি দোহা আৰু চৰ্য্যাপদত যি দোহা' সন্নিবিষ্ট হৈছে সি এওঁক অসমৰ লোক বুলিহে প্ৰতিপন্ন কৰিছে। চৰ্য্যাপদত সন্নিবিষ্ট এওঁৰ গীতৰ নিদৰ্শন হ'ল ঃ

*'উচা উচা পাবত তহি বসই সৱৰী বালী।*
*মোৰঙ্গী পীচ্ছ পৰহিন সৱৰী গীবত গুঞ্জৰী।'*

অৰ্থাৎ 'উচ্চ উচ্চ পৰ্বত, তাতেই বাস কৰে সৱৰীবালা। ময়ূৰৰ পাখি পৰিধান কৰে, গ্ৰীবাত (ডিঙিত) গুঞ্জৰ মালা।' এই সৱৰপাৰ শিষ্য হ'ল লুইপা। আগতে উল্লেখ কৰি অহা হৈছে যে এওঁ উড্ডীয়ান ৰাজ্যৰ মৎস্যজীৱী সম্প্ৰদায়ৰ লোক আৰু মৎস্যো ন্দ্ৰনাথ নামেৰে এওঁক জনা যায়। কোনো কোনো পণ্ডিতে মৎস্যেন্দ্ৰনাথ আৰু লুইপা দুজন ভিন্ন লোক বুলি ক'ব খোজে। আগতে উল্লেখ কৰি অহা হৈছে যে, এই লুইপা বা মৎস্যেন্দ্ৰনাথেই হৈছে হঠযোগী নাথপন্থৰ আদি গুৰু। এওঁৰে শিষ্য গোৰক্ষনাথ। এই মৎস্যেন্দ্ৰনাথ স্ত্ৰীৰাজ্য কদলীৰাজ্যৰ কমলাৰ প্ৰেমত আবদ্ধ হৈ বহুদিন যোগভ্যাস এৰি আছিল, পাছত তেওঁৰ শিষ্য গোৰক্ষনাথে তেওঁক কদলী ৰাজ্যৰ পৰা উদ্ধাৰ কৰি নিয়েহি। বৰ্তমান নগাঁও জিলাৰ কন্দলীক কেন্দ্ৰ কৰিয়েই এই কদলী ৰাজ্য নামৰ স্ত্ৰী ৰাজ্যখন আছিল। জনাগাভৰুৰ গীতত কদলী ৰাজ্যৰ কমলাৰ কথাই কিছু প্ৰতিফলিত হোৱা যেন লাগে। জনাগাভৰুৰ গীতেও কদলী ৰাজ্যখন নগাঁও জিলাৰ কন্দলী মৌজাক কেন্দ্ৰ কৰিয়েই থকাৰ ইংগিত দিয়ে। লুইপা বা মৎস্যেন্দ্ৰনাথেও অসমীয়াত পদ ৰচনা কৰি গৈছে আৰু এই পদ চৰ্য্যাপদৰ অন্তৰ্গত সন্নিবিষ্ট হৈছে। যেনে ঃ

'কা আ তৰুবৰ পঞ্চ বি ডাল।
চঞ্চল, চীত্ৰ পইচা কাল।'
অৰ্থাৎ 'কায়া (ৰূপ) তৰুবৰ পঞ্চ (তাৰ) ডাল
চঞ্চল চিত্তত পশে (আাহি) কাল।'

প্ৰাচীন অসমৰ বুলি ঠাৱৰ কৰা আন দুজন সিদ্ধ হ'ল ইন্দ্ৰভূতি আৰু তেওঁৰ ভনীয়েক লক্ষ্মীংকৰ। ইন্দ্ৰভূতি উড্ডীয়ানৰ ৰজা আছিল। আগতে উল্লেখ কৰি অহা হৈছে যে উড্ডীয়ানক কোনো কোনো পণ্ডিতে বৰ্তমানৰ উৰিষ্যা বুলি ক'লেও এই উড্ডীয়ান

প্ৰাচীন অসমৰে কোনো অঞ্চল বুলি, বিশেষকৈ অসমৰ পশ্চিম অঞ্চলৰ এখন ৰাজ্য বুলিহে বহুতে নিৰ্ণয় কৰিছে। সি যি নহওক ইন্দ্ৰভূতিয়ে ৰচনা কৰা অসমীয়া কোনো গীত-পদ এতিয়ালৈকে উদ্ধাৰ হোৱা নাই। কিন্তু সংস্কৃতত ৰচনা কৰা অতি কমেও প্ৰায় ২৩ খন গ্ৰন্থৰ তিব্বতীয় অনুবাদ তিব্বতত সংৰক্ষিত আছে। এওঁ সংস্কৃতত ৰচনা কৰা দুখন গ্ৰন্থ এতিয়ালৈকে ভাৰতত পোৱা হৈছে। সেয়া হৈছে সাধনমালাত অন্তৰ্ভুক্ত 'কুৰুকুল্লা সাধনা' আৰু 'জ্ঞানসিদ্ধি'। প্ৰায় ২৩ টা অধ্যায়েৰে 'জ্ঞানসিদ্ধি' এখন অতি মূল্যবান গ্ৰন্থ। বজ্ৰযানৰ ধৰ্মীয় মত আৰু আন ভালেমান গোপন ধৰ্মীয় তথ্যৰ বিষয়ে এই গ্ৰন্থখনৰ পৰা জানিব পৰা যায়। ইন্দ্ৰভূতিৰ ভনীয়েক লক্ষ্মীংকৰৰো কোনো অসমীয়া ৰচনাৰ বিষয়ে জানিব পৰা নাযায়। এওঁ ইন্দ্ৰভূতিৰ ভনীয়েকেই নহয়, শিষ্যাও আছিল। এওঁ সংস্কৃতত ৰচা একমাত্ৰ গ্ৰন্থ হ'ল 'অদ্বয় সিদ্ধি'। মূল সংস্কৃত গ্ৰন্থখন হেৰাই গৈছে, ইয়াত তিব্বতীয় অনুবাদহে তিব্বতত সংৰক্ষিত হৈছে। 'অদ্বয় সিদ্ধি'ত ইন্দ্ৰভূতিৰ 'জ্ঞানসিদ্ধি'ৰ প্ৰভাৱ সুস্পষ্ট। তদুপৰি এই গ্ৰন্থত লক্ষ্মীংকৰে যি মত দাঙি ধৰিছে তাক সহজীয়াসকলে বিশেষভাৱে অনুসৰণ কৰিছিল। বৰ্তমানেও বংগদেশৰ নাঢ়া-নাঢ়ী (নেৰা-নেৰী) আৰু বাউলসকলৰ ওপৰত 'অদ্বয় সিদ্ধি'ৰ প্ৰভাৱ আছে বুলি ড° বিনয়তোষ ভট্টাচাৰ্যদেৱে অনুমান কৰিছে।[২]

১। সাধনামালাৰ অন্তৰ্গত সিতকুৰুকুল্লা সাধনাত সোমাই থকা সৰৰপৰা এই সংস্কৃত-অসমীয়া মিশ্ৰ পদটি এতিয়ালৈকে সম্ভৱ অসমীয়া পণ্ডিতসকলৰ দৃষ্টিগোচৰলৈ অহা নাই।

২। নৱম শতাব্দীৰ প্ৰাচীন কামৰূপৰ এজন প্ৰখ্যাত তান্ত্ৰিক বৌদ্ধ পণ্ডিত হ'ল অভিৱন গুপ্ত, এওঁ কাশ্মীৰৰ শৈৱ পণ্ডিত অভিনৱ গুপ্ত নহয়। এওঁ সংস্কৃতত ৰচনা কৰা দুখন প্ৰখ্যাত তন্ত্ৰ গ্ৰন্থ আছে, এখন 'তন্ত্ৰলোক', ইখন 'তন্ত্ৰসাৰ'। কথিত আছে যে এওঁৰ লগত তৰ্ক কৰিবলৈ শংকৰাচাৰ্য অসমলৈ আহিছিল। তৰ্কত অভিনৱ গুপ্ত পৰাজিত হৈছিল। এই অপমানতেই হেনো তেওঁ শংকৰাচাৰ্যক হেৰা দি বধ কৰিছিল বুলি শংকৰাচাৰ্যৰ দুই এক জীৱনীকাৰে কয়। অভিনৱ গুপ্তৰ সময়ত অসমত শালস্তম্ভ বংশৰ ৰজাসকলে ৰাজত্ব কৰিছিল। ♦♦

# মন্ত্র চিকিৎসাৰ পৰম্পৰা আৰু মায়ঙৰ ভূমিকা

লোকেন্দ্ৰ হাজৰিকা
লোক গবেষক, মায়ং

শিৰোনামত উল্লেখিত বিষয়-বস্তুৰ বিষয়ে আলোচনা কৰিবলৈ যোৱাৰ আগতে আমি চাব লাগিব যে মন্ত্ৰ কি আৰু ইয়াৰ উৎপত্তি কেতিয়া, ক'ত, কেনেদৰে হৈছিল। আমি এটা কথাত সকলো একমত যে প্ৰত্যেক সাহিত্যৰেই আদিস্তৰ মৌখিক সাহিত্য। মৌখিক সাহিত্যসমূহ যুগনিৰপেক্ষ। অসমীয়া ভাষাই লিখিত ৰূপ পোৱাৰ বহু যুগৰ আগতেই মানুহৰ মুখে মুখে পৰম্পৰা গতিত কিছুমান সাহিত্যৰ সৃষ্টি হৈ ভৱিষ্যতৰ বুকুলৈ কঢ়িয়াই আনে। দৃষ্টান্ত স্বৰূপে সাধুকথা, ডাকৰ বচন, বেলাড, বিহুগীত, বিয়ানাম, নিচুকনি গীত আদিলৈ আঙুলিয়াব পাৰি। এইসমূহৰ লগতে আন এক শ্ৰেণীৰ সাহিত্যৰ সৃষ্টি হৈছিল— সেয়া হ'ল মন্ত্ৰ সাহিত্য। এই মন্ত্ৰসমূহে প্ৰাচীন অসমীয়া সাহিত্যৰ এক গৰিষ্ঠ অংশ অধিকাৰ কৰি আছে। বৰ্তমানলৈকে যিমান প্ৰাচীন অসমীয়া পুথি আবিষ্কাৰ হৈছে, সেইসমূহৰ ভিতৰত মন্ত্ৰৰ পুথিয়েই অধিক বুলি ক'লেও অত্যুক্তি কৰা নহয়।

মন্ত্ৰ কি বুলি ক'লে ইয়াক কোনো এটা নিৰ্দিষ্ট সংজ্ঞাৰ মাজত আবদ্ধ কৰি ৰাখিব নোৱাৰি। সাধাৰণতে কোৱা হয়, কোনো এজন ৰোগীক ৰোগৰ পৰা আৰোগ্য কৰিবলৈ মন্ত্ৰ ব্যৱহাৰ কৰা হয়। মন্ত্ৰসমূহ হৈছে একোটা সাধনালব্ধ বস্তু। এই সাধনা কিন্তু সহজলভ্য সাধনা নহয়। সাধকসকলে এক গভীৰ সাধনাৰ জৰিয়তেহে ইয়াক লাভ কৰিবলৈ সক্ষম হয়। সুদূৰ অতীতত হয়তো কোনো লোকে কোনো বিশেষ কাৰণত (ৰোগীক ৰোগৰ পৰা আৰোগ্য কৰিবলৈ নাইবা যিকোনো কাৰণত সিদ্ধি লাভ কৰিবলৈকেই হওক) কোনো দেৱ বা দেৱীৰ ওচৰত (বিশেষকৈ শূল পাণি মহাদেৱ আৰু শক্তিৰ অধিষ্ঠাত্ৰী দেৱী ভগৱতীক) নিজক অৰ্পণ কৰি একাত্ম সাধনাত নিমজ্জিত হয়। তেতিয়া একনিষ্ঠ সাধনাৰ বলত সাধনাৰ উপলক্ষ্য দেৱ বা দেৱীৰ শক্তিৰে সাধকৰ হৃদয়ৰ পৰা নিগৰি ওলায় কিছুমান শব্দ, যিবিলাক শব্দই অসাধ্য সাধন কৰিবলৈ সক্ষম হৈ পৰে। কাৰণ শব্দই ব্ৰহ্ম। কোনো এটা বস্তুৰ প্ৰত্যক্ষীকৰণ বা নিৰ্দিষ্টকৈ বুজাবলৈ শব্দই স্বকীয়তা অৱলম্বন কৰে। বিশিষ্টাৰ্থত বিশিষ্ট শব্দৰ ব্যঞ্জনা তাৎপৰ্যপূৰ্ণ। সাধনালব্ধ মন্ত্ৰও বহুলাংশে ধাতুগত। ধাতুগত শব্দ সমষ্টিয়েই একে সময়তে বহু অৰ্থযুক্ত হৈ ক্ৰীড়া কৰে। মন্ত্ৰ সাহিত্যত যেয়ে ধাতুগত, শব্দৰ ব্যৱহাৰ যেনে দুৰ্বোধ্য, তেনেকৈ এই দুৰ্বোধ্যতাৰ বাবেই সৰ্বসাধাৰণৰ বিশ্বাসযোগ্য হৈ আহিছে। অৰ্থাৎ চৰ্যাৰ মূলভাব জানিবলৈ নিৰ্দেশ কৰা 'গুৰু পুছিঅ জানাৰ দৰে এই মন্ত্ৰবোৰো কেৱল সৎগুৰু বাদে আনে তাৰ প্ৰকৃত অৰ্থ দিব নোৱাৰে, মাথোন পৰম্পৰা গতিত ধাৱমান হৈ সঞ্চালনীকৈ চলিহে আছে। সৰ্বসাধাৰণেও গ্ৰহণ কৰে আৰু তাৰ পৰা কৃতকাৰ্যতা লাভ কৰিবলৈ প্ৰয়াস কৰে। চানেকি স্বৰূপে সৰ্ববিঘিনী নাশক মন্ত্ৰ এটিৰ কথা ক'ব পাৰি ঃ

'ওঁং হ্ৰং কৃং ফট্ স্বাহা।'

উল্লিখিত মন্ত্ৰটোৰ প্ৰত্যেকটো অক্ষৰেই একোটা স্বয়ং ৰূপ ইয়াৰ কোনো ধাতুগত অৰ্থ হয়তো নাই। কিন্তু এই শব্দকেইটা কোনো অতীতৰ অখ্যাত বিখ্যাত সাধকৰ সাধনালব্ধ শব্দ। এই শব্দকেইটাৰ যাত্ৰাৰ কালত থকা সকলো অপায় অমংগল দূৰ কৰাৰ বিধান দি আহিছে।

মন্ত্ৰৰ উৎপত্তিনো কেতিয়া হৈছিল তাক ক'ব পৰা নাযায়। কিন্তু এই কথাত আমি ভাবিবলৈ অৱকাশ পাওঁ যে, মহাপুৰুষ শঙ্কৰদেৱে অসমত বৈষ্ণৱ ধৰ্মপ্ৰচাৰ কৰাৰ বহু যুগৰ আগৰে পৰা মন্ত্ৰসমূহৰ সৃষ্টি হৈ অসমত ইয়াৰ বহুল প্ৰচাৰ চলি আছিল। এনেকি বৈদিক যুগতো যে মন্ত্ৰৰ বহুল প্ৰচলন আছিল, সেই কথা অথৰ্ব বেদত থকা মন্ত্ৰসমূহে প্ৰমাণ দিয়ে।

গতিকে বৈদিক যুগৰো আগতে অৰ্থাৎ প্ৰাচীন যুগতেই মন্ত্ৰৰ উৎপত্তি ঘটি বৰ্তমানৰ বুকুলৈ বৈ অহা বুলি ঠাৱৰ কৰিব পৰা যায়। কিন্তু বৰ্তমান প্ৰাপ্ত মন্ত্ৰসমূহ প্ৰাচীন অসমীয়া বা তাৰো পাছৰ নব্যৰূপত পোৱা যায়। ইয়াৰ কাৰণস্বৰূপে ঠাৱৰ কৰিব পাৰি যে খ্ৰীষ্টীয় ত্ৰয়োদশ শতিকাৰ শেহাৰ্দ্ধৰ পৰা এই বিস্তৃত সময়ছোৱাত লিপিবদ্ধ হোৱা মন্ত্ৰয়েই অধিকতৰ। মৌখিক যুগ অতিক্ৰম কৰি মানুহৰ হাতত কাপ মৈলাম পৰাৰে পৰা উত্তৰ পুৰুষলৈ পৰম্পৰা ৰক্ষাৰ উদ্দেশ্যেৰেই হওক কিম্বা সৰ্বজনৰ হিত সাধনৰ বাবেই হওক মন্ত্ৰসমূহ লিপিবদ্ধ কৰি থোৱাৰ সৎ প্ৰচেষ্টা কৰিছিল যাতে ভৱিষ্যতে কোনো অনাখৰী লোকৰ হাতত পৰি মন্ত্ৰসমূহ কালৰ বুকুত লীন নাযায়। কিন্তু এটা কথা এইখিনিতে উনুকিওৱা ভাল যে লিখিত ৰূপত পোৱা মন্ত্ৰসমূহৰ বহুতো শব্দগত ভুল চকুত পৰে। কাৰণ লিপিকাৰসকল হয় অৰ্দ্ধশিক্ষিত নহয় নিৰক্ষৰ (মাথোন আগৰ শব্দ দেখি ছবি আঁকিব জনা বিধৰ) হোৱা হেতুকে সেই ভুলৰ সমষ্টি মন্ত্ৰসমূহত বৈ যায়। কিন্তু সৰ্বসাধাৰণৰ বিশ্বাস আৰু গুৰুৰ বাক্য বুলি মানি সেই ভুল শব্দৰে সজা মন্ত্ৰসমূহকেই মানুহে ভুল হিচাপেই ব্যৱহাৰ কৰি আহিছে এনে নকৰিলে মন্ত্ৰৰ গুণ নোহোৱা হয় বুলি বিশ্বাস।

**মহাকাব্যৰ যুগত মন্ত্ৰৰ ব্যৱহাৰ ঃ**

হিন্দু ধৰ্মৰ প্ৰধান মহাকাব্য ৰামায়ণ আৰু মহাভাৰততো বিভিন্ন তন্ত্ৰ-মন্ত্ৰ প্ৰচলনৰ কথা পোৱা যায়। যোদ্ধাই যুদ্ধত শত্ৰুপক্ষলৈ বাণ নিক্ষেপ কৰোঁতে প্ৰত্যেক বাণৰ বাবে ভিন ভিন মন্ত্ৰ উচ্চাৰণ কৰিহে বাণ এৰিছিল। কিন্তু বিশেষতঃ এইটোৱেহে যে, যেনেকৈ হোমিওপ্যেথিক চিকিৎসকে বিভিন্ন ৰোগৰ বাবে একেটা 'চুগাৰ পাউদাৰ' বা 'গ্লবিউলচ' (Globules)অত ভিন ভিন ঔষধ মিহলাই ৰোগীক দিয়ে সেইদৰে একেই সাধাৰণ লো বা তীখাৰ দ্বাৰা তৈয়াৰী একোপাত বাণত যোদ্ধাই ভিন ভিন মন্ত্ৰ উচ্চাৰণ কৰি কেতিয়াবা অগ্নিবাণ, বৰুণবাণ নাইবা নাগপাশ বাণলৈ পৰিণত কৰি শত্ৰুপক্ষলৈ নিক্ষেপ কৰে। উদাহৰণস্বৰূপে মহাভাৰতৰ যুদ্ধৰ এক পাৰ্শ্ব চৰিত্ৰ অশ্বত্থামাই উপায় বিহীন হৈ হিতাহিত জ্ঞান হেৰুৱাই ঘৰৰ খেৰকুটা এডালকে টান মাৰি আনি তাতেই ব্ৰহ্মমন্ত্ৰ উচ্চাৰণ কৰি ব্ৰহ্মাস্ত্ৰলৈ পৰিণত কৰি পাণ্ডৱলৈ নিক্ষেপ কৰিছিল। তাক নিৰ্বাপণ কৰিবলৈ অৰ্জুনেও কৃষ্ণৰ নিৰ্দেশক্ৰমে টুনৰ পৰা এপাত কাঁড় উলিয়াই মন্ত্ৰৰ দ্বাৰা ব্ৰহ্মাস্ত্ৰলৈ পৰিণত কৰি এৰিছিল। কাৰণ ব্ৰহ্মাস্ত্ৰক ব্ৰহ্মাস্ত্ৰৰেহে বাধা দিব পাৰি।

বনবাসী পাণ্ডৱক হিৰিম্ব আৰু হিৰম্বাই বশীকৰণ মন্ত্ৰৰ দ্বাৰা বশীভূত কৰি আৰু ঘটোৎকচে কুৰুক্ষেত্ৰৰ যুদ্ধত মন্ত্ৰৰ বলেৰে কৌৰৱ পক্ষৰ মাজত ত্ৰাসৰ সৃষ্টি কৰা কথা মহাভাৰতত উল্লেখ পোৱা যায়। অৰ্জুনেও কিৰাতৰূপী মহাদেৱৰ পৰা বহুত মন্ত্ৰ (শৰ) শিকিছিল। একেদৰে ভাগৱত পুৰাণত পৰীক্ষিত ৰজাক দংশন কৰিবলৈ অহা তক্ষকৰ বিষ নিবাৰণ কৰিবলৈ আহোতে ধনন্তৰীৰ মন্ত্ৰ শক্তিৰ পৰীক্ষাত তক্ষকৰ দংশনত ভস্মীভূত হোৱা বৃক্ষডালক ধনন্তৰীয়ে মন্ত্ৰৰ বলেৰে পুনৰ জীৱন্ত কৰিবলৈ সক্ষম হৈছিল। এইসমূহ দিশৰ পৰা বিচাৰ কৰি চালে দেখা যায় যে প্ৰাক্‌ঐতিহাসিক যুগৰ পৰা আৰম্ভ কৰি ক্ৰমগতিত বৰ্তমানলৈকে তন্ত্ৰ-মন্ত্ৰৰ প্ৰভাৱ কম বেছি পৰিমাণে পৃথিৱীৰ সকলো দেশতে চলি আছে। 'কৌটিল্যৰ অৰ্থশাস্ত্ৰ'ত নানা মন্ত্ৰ, ইয়াৰ প্ৰয়োগ আৰু ঔষধৰ কথা পোৱা যায়। এনেকি হৰণলুকী মন্ত্ৰ আদিৰ দৰে লুপ্তপ্ৰায় মন্ত্ৰ আদিৰো উল্লেখ পোৱা যায়।

**মন্ত্ৰ চিকিৎসাত মায়ঙৰ পৰম্পৰা ঃ**

মায়ং মৰিগাঁও জিলাৰ একেবাৰে পশ্চিম প্ৰান্তত অৱস্থিত। এই মায়ং সুদূৰ অতীতৰে পৰা তন্ত্ৰ-মন্ত্ৰত প্ৰসিদ্ধ হিচাপে পৰিগণিত হৈ আহিছে। এই অঞ্চলৰ জনসাধাৰণে বিভিন্ন ৰোগৰ চিকিৎসাৰ বাবে বহু সময়ত ডাক্তৰ নিবিচাৰি 'বেজ'ৰ ওচৰলৈ যায়। বেজ হ'ল তন্ত্ৰ-মন্ত্ৰৰ দ্বাৰা ৰোগ চিকিৎসা কৰা লোক। মায়ং অঞ্চলত প্ৰাপ্ত বিভিন্ন দেৱ-দেৱতাৰ মূৰ্তি, থান আদিৰ ভিতৰত হৰগৌৰীৰ যুগল মূৰ্তি, যোনীপীঠ, শিৱলিংগ, ত্ৰিশূল, কাছৰ মূৰ্তি আদিয়েই প্ৰাধান্য লাভ কৰি আহিছে। এই মূৰ্তিসমূহৰ অৱস্থানে এই অঞ্চলত যে তান্ত্ৰিকতাৰ বহুল প্ৰচলন আছিল সেই কথাৰ প্ৰমাণ দাঙি ধৰে। কিয়নো তন্ত্ৰ-মন্ত্ৰৰ উৎপত্তি বিশেষকৈ মহাদেৱ আৰু পাৰ্বতীৰ পৰা। মায়ং অঞ্চলটো অতীতৰ কামপীঠৰ অন্তৰ্গত। 'কালিপুৰাণ' আৰু 'যোগিনী তন্ত্ৰ'ৰ উদাহৰণ— 'ত্ৰিকোণা মণ্ডলাকাৰ...।' আদি।

মায়ঙৰ বিভিন্ন ৰোগৰ পৰা ৰোগীক আৰোগ্য কৰিবলৈ বেজে মন্ত্ৰ ব্যৱহাৰ কৰিছিল। আলোচনাৰ বাবে তেনে কেইবিধমান মন্ত্ৰৰ উল্লেখ কৰা হ'ল। সেইসমূহ হৈছে সিদ্ধ মন্ত্ৰ, কাছনী, মোহিনী (ৰাজ মোহিনী, মেল মোহিনী, পুৰুষ মোহিনী, স্ত্ৰী মোহিনী আদি), গা বন্ধা মন্ত্ৰ, পাস মন্ত্ৰ (ভূত, পিশাচ আদি খেদোৱা মন্ত্ৰ), কাল্লাম মন্ত্ৰ, চাহনী মন্ত্ৰ, দৰা-কইনাক অচেতন কৰা আকৌ পিছত ভাল কৰা মন্ত্ৰ, ডিঙিত কাঁইট লাগিলে জৰা মন্ত্ৰ, কচকা খোৱা, গৰুৰ পোক গুচোৱা, জুয়ে পোৰা, আলক্ষ্মীৰ মন্ত্ৰ, জুই বতাহ নিবাৰণ কৰা, গান্ধীয়ে ধান খোৱা বন্ধ কৰা (গান্ধী বলোৱা), হোকাৰ পানী জৰা মন্ত্ৰ, বেৰাঁৰ মন্ত্ৰ, বগৰী গুটীয়াৰ মন্ত্ৰ, চিকাৰীৰ গা বন্ধা, বাঘ বলোৱা, বাঘ জালত ধৰা, শিঙিমাছে বিন্ধা, পেটৰ বিষ জৰা, কঁকালৰ বিষ জৰা, নাড়ী লৰা, বায়ু মন্ত্ৰ, প্ৰসৱৰ মন্ত্ৰ, মোৰৰ

মন্ত্ৰ, জুইমৰা মন্ত্ৰ, বন্দুকৰ নলেৰে পানী ওলোৱা মন্ত্ৰ, বিভিন্ন প্ৰকাৰৰ হৰা দিয়া (ঠুমৰী বান, বিষ বান) আদি এইসমূহ আকৌ ভাল কৰা, চকুৰ কোট জৰা, বিছাৰ শুং ওলোৱা,গৰুৰ ভোকোলা জৰা, সৰ্বধাক, কৰতি মন্ত্ৰ, (ৰাম কৰতি, গু কৰতি আদি) পিঠা ভঙা, পিঠা চুৰ কৰা, মহল (হাউলী) বন্ধা, চোৰ বন্ধা, সুদৰ্শন চক্ৰ মন্ত্ৰ, নাৰায়ণ কবচ জৰা আদি বহু মন্ত্ৰয়েই মায়ঙত প্ৰচলন আছিল। এনেকি আজিৰ বিজ্ঞান চিকিৎসাৰ অগ্ৰগতিৰ যুগতো যি কৰ্কট ৰোগে এক মাৰাত্মক সমস্যা ৰূপে থিয় দি আছে সেই কৰ্কট ৰোগকো অতীততে মায়ঙৰ বেজে মন্ত্ৰ আৰু বনৌষধিৰ দ্বাৰা ভাল কৰাৰ কথা আজিও মানুহৰ মুখত কিংবদন্তি হৈ আছে। কিন্তু এইসমূহ মন্ত্ৰ বহুলাংশে বৰ্তমান লুপ্ত হৈ পৰিছে, তাৰ কাৰণ সাধনালব্ধ জ্ঞানৰ অভাৱ। জ্ঞান সাধনা অবিহনে মূল্যহীন। সহজসাধ্য বৰ্তমান ডাক্তৰী চিকিৎসাৰ আগত মানুহে মন্ত্ৰৰ গুণ বা দৰৱৰ কথা চিন্তা নকৰে। তাৰোপৰি আজিকালি ওজা লোকো বিৰল। ওজা হ'বলৈ হ'লে ত্ৰিঐক্যৰ প্ৰয়োজন। ত্ৰিঐক্য হ'ল Dicipline, Dedication আৰু Determination। এই গুণ আজিৰ মানুহৰ মাজত বিৰল।

মায়ঙৰ অতীতৰ মন্ত্ৰসমূহৰ বিষয়ে আলোচনা কৰিলে দেখা যায় যে কোনোৱে কোনো লোকক যদি কুমন্ত্ৰ, কুজ্ঞান বা হৰা আদি দিয়ে অথবা কোনো লোক যদি ভূত-প্ৰেত নাইবা অপদেৱতা আদিৰ কোপদৃষ্টত পৰে, তেন্তে বেজে মন্ত্ৰৰ দ্বাৰা ৰোগীক আৰোগ্য কৰে। সকলো মন্ত্ৰৰে এটা বিশেষতঃ মন কৰিবলগীয়া যে মন্ত্ৰসমূহ ধনন্তৰী, ব্ৰহ্মা, মহেশ্বৰ এনেকি চন্দ্ৰ-সূৰ্যকে আদি কৰি তেত্ৰিশ কোটি দেৱতাক সাক্ষী কৰি লয়। যথা—

'ওং শ্ৰীকৃষ্ণায়ে নমঃ, ওঁ ধনন্তৰীয়ে নমঃ।
মেলান বহিবাৰ সবে দেৱগন মেলো নকৰিবা ৰাও।
শ্ৰীমহেশ্বৰ আজ্ঞায়ে মেলো, ৰামৰ আজ্ঞায়ে মেলি যাওঁ।।
মহাদেৱৰ মাথাত মোছাক পাওঁ।
ওঁং শিৱায়ে নমঃ গৌৰী ৰাধায়ে শ্বাহাঃ।।
ৰুদ্ৰ কাৰ্তিকায়ে শ্বাহা, ত্ৰিদশ দেৱতা কোনেহে মেলাই।
ত্ৰিদশ দেৱতাক কৰো শাক.......................।
.............কালকুট, বজ্ৰকুট মাৰি পেলাওঁ তুলি।
কাল বান ভূত আছে জম নগৰত পৰি।।
..............................
চক্ষু দিলে চকু ফুটে, মুখ দিলে মুখ চিঙ্গে।
নাক দিলে নাক চিঙ্গে দন্ত দিলে দন্ত সৰে।।
.......................................................
.......................................................
সূৰ্যৰ দীক্ষা, চন্দ্ৰৰ দীক্ষা, ইন্দ্ৰৰ দীক্ষা।
ব্ৰহ্মাৰ দীক্ষা, মঙ্গলৰ দীক্ষা, বিষ্ণুৰ দীক্ষা।।
ৰাহুৰ দীক্ষা, কেতুৰ দীক্ষা, মোৰ ৰুগীৰ কৰাস ঘাও।
............................................. ইত্যাদি।

এই মন্ত্ৰসমূহ উচ্চাৰণ কৰাৰ ফলত তাৰ শক্তি যাতে অথলে নাযায় তাৰ বাবে বেজে দশোদিশ মন্ত্ৰৰ দ্বাৰা বান্ধি লয়। যথাঃ

'............. পূবে বান্ধো ভানু, ভাস্কৰ বান্ধো।
ঘৰ বান্ধো, দ্বাৰ বান্ধো, কালকুট নামে নাৰায়ণ।।
জানি নামে ৰাখিবাহা হৰি তোমাৰ দুখানি পাৰে।
ওঁং বীৰ ভদ্ৰ মহামুনি আকাশ পাতালে লাগে ধ্বনি।।'
আদি

বায়ু মন্ত্ৰত বায়ুৰ জন্মবৃত্তান্ত আৰু উনপঞ্চাশ বিধ বায়ুৰ নাম উল্লেখ থকা দেখা যায়। যেনে ঃ

'............ একদিনা নাৰায়ণে নিৰাকাৰ ৰূপে
বসি আছে নিৰঞ্জন। আপোন স্বৰূপে মনে
শুনি শুনি প্ৰভু আকাশক চাইলা।
নাভি পদ্মগোট প্ৰভু মুষ্টিত ধৰিলা।।
হুং হুং জং জং বুলি প্ৰভু আছাৰি পেলাইলা।
উতে উণ পঞ্চাশং বাউ কোৰ ভৈলা। *বায়ু
ব্ৰহ্মাক দিলন্ত প্ৰভু মহাৰঙ্গ কৰি।
ব্ৰহ্মাও নিলন্ত সাদৰি।।
মনুষ্যক ছলো ব্ৰহ্মা দিলা বৰ।।
অচেতন নাপায় পাৱন্ত ৰিৰ্গু (?)
উণ পঞ্চাশত বাউ।।'
উণপঞ্চাশ বিধা বায়ুৰ নাম উল্লেখ ঃ
'.............. তাং কহুং নাম।
কৰযোৰে নিৰঞ্জনক কৰোহো প্ৰণাম।।
ব্ৰহ্মাক সুমৰি মই পানী কৰি থৈলো।
হুৰ বাউ হুৰ বাউ মন্ত্ৰে জাৰো পানী উঠি পৰ।।
.......................................................
ওৰে ওৰে বাউ তোৰ জানো জন্ম জাতি।
আদি পুৰুষৰ হন্তে ভৈলা উতপতি।।
সুহনি বাউ, উমহা বাউ মাৰো।
সুন্দ বাউ ফুৰাণী বাউ, ঘুৰাণী বাউ, জৰীয়া বাউ।
জৰিলা বাউ, পাক বাউ, ছাক বাউ।
শিৰা বাউ, ছন্দা বাউ, ধন্দা বাউ, অগ্নি বাউ।
বুধ বাউ, কৰ্ণ বাউ, শিৰা বাউ, বিৰা বাউ।।
.......................................................

.......................................................

অগৰ্নি বাউ, অমলা বাউ, পমলা বাউ।

উনপঞ্চাশ বাউ জাৰিবাক লৈলো।

অমুকাৰ উনশত বাউ পানী কৰি থৈলো। *ৰোগীৰ নাম*

এই মন্ত্ৰসমূহ বিশেষকৈ হৰ-পাৰ্বতী, বিষ্ণু, ব্ৰহ্মা, ধনন্তৰীৰ লগতে গুৰুৰ নাম, কামৰূপৰ কামাখ্যা মাও আৰু মায়ঙৰ পঞ্চদেৱতাৰ নাম বিশেষভাৱে উল্লেখ থকা দেখা যায়। উদাহৰণস্বৰূপে ঃ

'...................... ব্ৰহ্মা বিষ্ণু হন্তে ভৈলা উতপতি।

সতীৰ বীজে তেল উতপতি ভৈলা।।

সিদ্ধ গুৰুৰ পাও ৰক্ষা কৰা।

কামৰূপৰ কামাখ্যা মাও।।'

মায়ঙৰ তন্ত্ৰ-মন্ত্ৰৰ কথা সৰ্বজনবিদিত। সি ভাল ভাবেৰেই হওক কিম্বা বেয়া ভাবেৰেই হওক। সকলো বস্তুৰে ভাল আৰু বেয়া এই দুটা দিশ সদায়েই থাকে, তন্ত্ৰ-মন্ত্ৰসমূহতো আছে। কোনো লোকে যদি আন কোনো লোকক কিবা অপকাৰ কৰিব বিচাৰে (হিংসাৰ বশৱৰ্তী হৈ অথবা আত্মস্বাৰ্থ সিদ্ধিৰ উদ্দেশ্যে) তেন্তে মন্ত্ৰৰ দ্বাৰাও অপকাৰ কৰিব পাৰি। যথা ঃ

'মা হুং মা দেৱ, হুং মা। লাগ লাগ কালী।

অমুকাৰ হিয়াত লাগ। নালাগ যদি পাতাল চান্দি।

গোসানীৰ মাথা খাবি। ...............।' (বান মৰা মন্ত্ৰ)

এই মন্ত্ৰসমূহ ব্যৱহাৰৰ বাবে কিছুমান নিয়ম নিৰ্দিষ্ট কৰি বান্ধি দিয়া আছে। নিয়মসমূহ অতি সযতনে পালন কৰিব জানিলেহে মন্ত্ৰই গুণ দিয়ে। অন্যথা নিজৰহে অপকাৰ এনেকি মৃত্যুপৰ্যন্ত হ'ব পাৰে। একেদৰে এনে বাণৰ পৰা ৰোগীক আৰোগ্য কৰিবৰ কাৰণেও মন্ত্ৰ ব্যৱহাৰ কৰা হয়। যেনে ঃ

'ইয়ং সিয়ং পিয়ং পানী

মনুষ্যৰ বানে মনুষ্যক কৰে হানা হানি।।

...................................

যতে বান তাকে লাগি যাবি।

উলটি বান তাকে খাবি।।

যদি নাখাবি।

সোণা দেৱীৰ মাথা খাবি।।' (বান কটা মন্ত্ৰ)

বন্দুক আগ্নেয়াস্ত্ৰ। এনে আগ্নেয়াস্ত্ৰকো বশীভূত কৰিব পৰা মন্ত্ৰও অতীততে মায়ঙত আছিল। যেনে ঃ

'..................... অংনাহাক্কে নমিদি লাইৰাংনি

বগী মাৰাংনা। ফুল লাৱানি গুৰু য়াতং গুৰু আতং.............'

একেদৰে ডিঙিত বগৰী গুটীয়া হ'লে (টনচিল) বেজে মিঠাতেল লৈ ডিঙিত জাৰে ঃ

'শ্ৰীকৃষ্ণায়ে নমঃ চুচুমা, চুচুমী, নাৰেঙ্গা, নাৰেঙ্গী

বগৰী গুটীয়া জাৰো, চেলাই পৰা জাৰো, অমৰা গুটীয়া জাৰো

.............................................

হৰ বিষ্ণু হৰ, চৌষষ্ঠি বাৰবিধিয়া জাৰো

পানী হৈ পৰ। তাকো যদি নামানিবি

কামাখ্যা দেৱীৰ মাথা খাবি।

তাকো যদি নামানিবি মায়ঙৰ পঞ্চদেৱতাৰ ৰোষত পৰি মৰিবি।'

এই মন্ত্ৰসমূহত মায়ঙৰ পঞ্চ দেৱতাৰ 'দোহাই' দিয়া দেখা যায়। কিন্তু এই পঞ্চদেৱতা কোন? মায়ং অঞ্চলত বিভিন্ন দেৱ-দেৱতাৰ মূৰ্তিস্থান আদি অদ্যপিও বিদ্যমান। এক লৌকিক প্ৰবাদ আছে যে মায়ঙৰ পঞ্চস্থানত পঞ্চদেৱতাই বিৰাজ কৰি সকলোধৰণৰ অপায়-অমঙ্গলৰ পৰা এই পুতভূমিক সৰ্বদা ৰক্ষা কৰি আহিছে।

সেইসমূহ হৈছে উত্তৰে চনকাৰ ভগৱতী স্থান, পশ্চিমে কাজলীৰ নৰসিংহ স্থান, পূবে কাচশিলাৰ শিস্থান, দক্ষিণে বহাৰ গণেশ স্থান আৰু মধ্যস্থলত কেঁচাইখাইতী স্থান ঃ এই পঞ্চস্থানত থকা পঞ্চ দেৱতাৰ কথাকেই ইয়াত উল্লেখ কৰা যেন অনুমান হয়।

মায়ঙত প্ৰাপ্ত মন্ত্ৰসমূহ গদ্য-পদ্য উভয়তে পোৱা যায়। যেনে, গদ্যত ৰচিত মন্ত্ৰৰ উদাহৰণ ঃ

'ওঁং ক্ৰীং কৌং স্ক্ৰীং হিং হুং হু দ্ৰং দহ দহ পস্ পস্ অমুকাৰ অদ্যবধি মৰণকালীন সৰ্বাঙ্গ শৰীৰে ৰক্ষা কৰা কুৰু কুৰু শ্বাহা।...........।'

(সৰ্বস্থানে জয়লাভ কৰা মন্ত্ৰ)

কাব্যত লিখা মন্ত্ৰয়েই সৰহ। যথা ঃ

'শ্ৰী শ্ৰী কৃষ্ণায়ে নমঃ ধনন্তৰীয়ে নমঃ।

যেহি দিনা দেৱ-দেৱীৰ বিবাহ ভৈলা।

সেহি দিনা মেনকাক বিবাহ দিবাক লৈলা।।

মহাদেৱৰ জটাত সৰ্প উপজিলা।

সেহি সৰ্পে দেৱীক খাইলা।। .......... আদি।

(সৰ্প বিষ জৰা মন্ত্ৰ)

এই মন্ত্ৰসমূহ যদিও সৰহভাগেই কাব্যত লিখা, কিন্তু কাব্যত ব্যৱহৃত ছন্দ আদিৰ মিল সেই সমূহত বিচাৰি পোৱা নাযায়। কাব্য সৃষ্টি কৰিবলৈ যাওঁতে ছান্দসিকে সাধাৰণতে যিসমূহ নিয়ম মানি চলে তেনে নিয়ম মন্ত্ৰকাৰসকলে মানি

চলা দেখা নাযায়। চানেকি স্বৰূপে ঃ

'শিক্ষা গুৰু দীক্ষা গুৰু, আদি গুৰু অনাদি গুৰু।

গুৰু কালী গুৰু মানি, অন্নত দিছে বিষ ঢালি।

চালত আছে পৰি ৰামে লুৰিলে খৰি, লক্ষ্মণে দিলে আনি।

সীতাই দিলে, মই খাওঁ দ্ৰং আং খাং দ্ৰব্য আছে পৰি।

.........................................।'

(মুখলগা ভঙা মন্ত্ৰ)

এই মন্ত্ৰবিলাকত ছন্দৰ মিলন নাই, বানান ভুল, ভুল ভাবেৰে উচ্চাৰণ অৰ্থবিহীন শব্দৰ ব্যৱহাৰ, সংগতিবিহীন বাক্য, খণ্ডবাক্য বা কাহিনীৰ অৱতাৰণা আদি দেখা যায়। ইয়াৰ কাৰণস্বৰূপে ক'ব পৰা যায় যে মন্ত্ৰসমূহ হৈছে সাধনালব্ধ। সাধকে কোনো এক বিশেষ কাৰণত গভীৰ সাধনাত নিমগ্ন হৈ এই মন্ত্ৰসমূহ লাভ কৰে। সেই সময়ত সাধক বাহ্যিক জ্ঞানশূন্য হৈ পৰি কেৱল একান্তভাৱে বিশেষ উপলক্ষ্যতহে সাধনা কৰি যায়। তেতিয়া সাধকৰ অন্তৰৰ পৰা তেওঁৰ অজ্ঞাতে ওলাই অহা শব্দবিলাকেই মন্ত্ৰসমূহত ঠাই পায়। সেয়ে মন্ত্ৰ মাতোতে বেজে ভুল শব্দক ভুল ভাবেই উচ্চাৰণ কৰি যায়। তেতিয়াহে মন্ত্ৰৰ গুণাগুণ পোৱা যায় বুলি এটা জনবিশ্বাস আছে। আন কাৰণত ক'ব পৰা যায় মন্ত্ৰৰ সৃষ্টিকাৰসকলৰ ভাষাজ্ঞান, ছন্দজ্ঞান, ব্যাকৰণ জ্ঞান, শিক্ষা আদিৰ অভাৱ। অথবা লিপিকাৰসকলো অশিক্ষিত অথবা অৰ্দ্ধশিক্ষিত আছিল। নাইবা মুখে মুখে প্ৰচলিত হৈ আহোতে ক্ৰমে শব্দবিলাকে ভুল হৈ এনে ৰূপ লোৱাটোও অসম্ভৱ নহয়। যিয়েই নহওক এটা কথা ঠিক যে মন্ত্ৰসমূহ যিহেতুকে সাধনালব্ধ, গতিকে ইয়াত ছন্দ গৌণ, শব্দইহে মুখ্য স্থান লাভ কৰে। কাৰণ শব্দই ব্ৰহ্ম।

মন্ত্ৰত ভুল শব্দৰ ব্যৱহাৰৰ ক্ষেত্ৰত দেখা যায় সৰহভাগ শব্দই বিশেষকৈ জোঁটনীয়া শব্দবোৰ সৰল কৰিবলৈ যাওঁতে অপভ্ৰংশ হৈ পৰিছে। যেনে— বিষ্টু (বিষ্ণু), বাউ (বায়ু), তন (স্তন) আদি।

একেদৰে সংগতিবিহীন কাহিনী বা উপ-কাহিনীৰ অৱতাৰণা এই মন্ত্ৰবিলাকত লক্ষ্য কৰা যায়। পূৰ্বোল্লিখিত বগৰী গুটীয়া জৰা মন্ত্ৰটো প্ৰণিধানযোগ্য। এই মন্ত্ৰটোত প্ৰথমে 'চুচুমা চুচুমী নাৰেঙ্গা নাৰেঙ্গী' আদি ৰোগৰ কথা কৈ জৰা হৈছে। কিন্তু তাৰ পিছত এটা উপ-কাহিনীৰ অৱতাৰণা ঘটিছে। যেনে ঃ

'উৰি গ'ল শগুনী পৰি গ'ল পাখি।

কোন কোন বিষৰ কোন কোন জাতি।।

হৰ বিষ হৰ, চালৰ বিষ চালে গ'ল........।'

এনে উপ কাহিনী (সংগতি নথকা) নথকা হ'লেও মন্ত্ৰটোৰ কোনো হানি নহ'লহেঁতেন। কিন্তু নিচুকনি গীতত থকা

'ই পাৰৰ বগলীয়েই কি কি নাও

সিপাৰৰ বগলীয়েই কি কি নাও

আয়ে বায়ে চুলি মেলি গাখীৰ খীৰাওঁ।' আদিত থকা ইপাৰ সিপাৰৰ বগলীৰ লগত চুলি মেলি গাখীৰ খীৰোৱাৰ কোনো সম্বন্ধ নথকাৰ দৰে মন্ত্ৰসমূহতো তেনে কাহিনী বা উপকাহিনী অৱতাৰণা ঘটিছে।

মায়ঙৰ মন্ত্ৰসমূহত তৎসম, তদ্ভৱ আৰু দেশজ শব্দৰ ব্যৱহাৰৰ উপৰিও বিদেশী শব্দ আৰু মায়ঙৰ কথিত শব্দৰো সমাগম ঘটিছে। উদাহৰণস্বৰূপে ক'ব পাৰি 'দোহাই' এটা আৰবীয় শব্দ। একেদৰে মায়ঙৰ কথিত শব্দ হ'ল 'ভকলা ভকলী' (ভেকুলা-ভেকুলী) আদি।

আলোচনাত দেখা যায় মন্ত্ৰসমূহ অসমৰ জনজাতীয় সম্প্ৰদায়ৰ লগত বিশেষভাৱে সম্পৰ্কযুক্ত। যথা

'ভোটৰ বান গাঠি কাটো, গাৰোৰ বান গাঠি কাটো।

নগাৰ বান গাঠি কাটো, মিকিৰৰ বান গাঠি কাটো।।

তিৱতীৰ বান গাঠি কাটো.......।' আদি

(কৰতি মন্ত্ৰ)

তাৰোপৰি এই মন্ত্ৰসমূহত 'কামৰূপৰ কামাখ্যা মাওৰ দোহাই' দিয়াটো মন কৰিবলগীয়া। অসমত যেতিয়া বৈষ্ণৱ ধৰ্মৰ প্ৰবল সোঁত এটা বৱলৈ ধৰে এই মন্ত্ৰসমূহৰ মাজতো এটা বৈষ্ণৱী ভাব সোমাই পৰা দেখা যায়। কাৰণ মন্ত্ৰ মৌখিক সাহিত্য। সেয়ে যুগ নিৰপেক্ষ। উদাহৰণস্বৰূপে ঃ

'......... পূবে বান্ধো ভানু, ভাস্কৰ বান্ধো।

ঘৰ বান্ধো দ্বাৰ বান্ধো।

কালকুট নামে নাৰায়ণ।।

জানি নামে ৰাখিবাহা হৰি।

তোমাৰ দুখানি পাৱে।।............ আদি।

(দীক্ষা মন্ত্ৰ)

মন্ত্ৰসমূহৰ উৎপত্তিৰ সময় নিৰূপণ কৰাটো টান। কিন্তু কিছুমান মন্ত্ৰত বিভিন্ন জাতি-উপজাতিৰ নামৰ উল্লেখ থকাটো লক্ষ্য কৰিলে ইয়াৰ উৎপত্তিৰ সময় এটা অনুমান কৰিব পাৰি। যথা ঃ

'ফিৰিঙ্গিৰ বান গাঠি কাটো।

বঙ্গালৰ বান গাঠি কাটো।।

মালৌৰ বান গাঠি কাটো।

মানৰ বান গাঠি কাটো। আদি

(কৰতি মন্ত্ৰ)

ইয়াত ফিৰিঙ্গি, বঙ্গাল আৰু মান জাতিকেইটাৰ উল্লেখৰ পৰা ক'ব পৰা যায় যে এই মন্ত্ৰটো ইয়াণ্ডাবু সন্ধিৰ সময়ৰ (১৮২৬ খ্ৰীষ্টাব্দৰ) ওচৰে পাজৰে লিখা হ'ব।

মন্ত্ৰসমূহৰ ভিতৰতে সৰ্বঢাক মন্ত্ৰটো এটা উল্লেখযোগ্য মন্ত্ৰ। কিয়নো ইয়াক সকলোধৰণৰ ৰোগৰ পৰা নিৰাময়ৰ বাবে ব্যৱহাৰ কৰা হয়। উল্লেখযোগ্য যে বিশেষ ৰোগৰ বাবে থকা বিশেষ মন্ত্ৰৰ বাবে আগতে জাৰি তাৰ পিছত সৰ্বঢাক মন্ত্ৰৰে জৰা হয় তেন্তে আগৰ মন্ত্ৰৰ গুণাগুণ সৰ্বঢাকৰ ফলত নাশ পায়। একেধৰণৰ আন এটা মন্ত্ৰ হ'ল সুদৰ্শন চক্ৰ মন্ত্ৰ। ইয়াৰ ব্যৱহাৰো সৰ্বঢাক মন্ত্ৰৰ দৰেই।

মন্ত্ৰসমূহ হৈছে গুপ্ত বস্তু। জনবিশ্বাসৰ মতে এজনৰ পৰা আন এজনলৈ এই মন্ত্ৰ হস্তান্তৰ হ'ব নোৱাৰে হ'লেই তাৰ গুণ নাইকীয়া হৈ পৰে। সেয়ে বেজেও মন্ত্ৰ মাতোতে কোনেও বুজিব নোৱাৰাকৈ নাইবা শব্দ নোহোৱাকৈ কৌশলেৰে মাতে। মন্ত্ৰসমূহৰ সাধ্যতা জনমানসৰ অন্তৰৰ সৰল বিশ্বাসৰ ওপৰত প্ৰতিষ্ঠিত। ৰোগীয়ে মন্ত্ৰৰ অৰ্থ বিচাৰ কৰিবলৈ নাযায়, সৰল অন্তঃকৰণেৰেই ইয়াক বিশ্বাস কৰি লয়।

আমি আগতেই কৈ আহিছো যে মায়ং সুদূৰ অতীতৰে পৰা তন্ত্ৰ-মন্ত্ৰত প্ৰখ্যাত হিচাপে পৰিগণিত হৈ আহিছে। মোহিনী মন্ত্ৰ এই মন্ত্ৰসমূহৰ অন্যতম মন্ত্ৰ। ইয়াক বশীকৰণ মন্ত্ৰও কোৱা হয়। এই মন্ত্ৰৰ দ্বাৰা যে অসাধ্য সাধন কৰিব পাৰি সেই কথা বান ৰজাৰ জীয়ৰী উষাৰ সখী চিত্ৰলেখাই কৃষ্ণৰ নাতি অনিৰুদ্ধক বশীকৰণ মন্ত্ৰৰ দ্বাৰা বশীভূত কৰি আনি উষা আৰু অনিৰুদ্ধৰ মিলন ঘটাই দিছিল। আকৌ বনবাসী, পাণ্ডৱৰ দ্বিতীয় পাণ্ডৱ ভীমৰ প্ৰতি মোহাচ্ছন্ন হৈ হিৰিম্বাই ভীমক কেনেকৈ বশ কৰিছিল সেইসমূহ কথা মহাকাব্যৰ পাতত জিলিকি আছে। একেদৰে কোনোবা গাভৰুৰ প্ৰতি আকৰ্ষিত কোনো ডেকাই বশীকৰণ মন্ত্ৰৰ দ্বাৰা বশ কৰি সেই গাভৰুক লাভ কৰা ঘটনা একোটা সাধাৰণ ঘটনা বুলিয়েই গণ্য কৰা হয়। এনে বশীকৰণ মন্ত্ৰ অসমত (মায়ঙতো) আজিও বহু আছে। ইয়াৰোপৰি ৰজা-প্ৰজা সকলোকে বশ কৰিব পৰা মন্ত্ৰও মায়ঙত আজিও আছে। এই মন্ত্ৰক ৰাজমোহিনী মন্ত্ৰ বুলি কোৱা হয়। উদাহৰণস্বৰূপে—

'ওঁং স্থিতি চান্দালী ওঁং মহা চান্দালী।
..................................................
ওঁং হ্নং খ্ৰীং ক্ষিতি বচ্ছতি শ্বাহা।।'

আৰু এক শ্ৰেণীৰ মোহিনী মন্ত্ৰ আছে। ইয়াক মেল মোহিনী মন্ত্ৰ বুলি কোৱা হয়। এই মন্ত্ৰ হ'ল ঃ

'মোহিলো মোহিলো শালৰ হাতী।
মাৰিলো শিলৰ খুঁটি।
মই মোহিলো মেলৰ..........।'

এই মন্ত্ৰৰ দ্বাৰা কোনো বিচাৰ আদি হ'লে সমাজত সকলো লোকৰে মন মোহি নিজৰ ফলীয়া কৰি লয়।

এই বশীকৰণ মন্ত্ৰসমূহৰ লগতে আন এক শ্ৰেণীৰ মন্ত্ৰ আছে, সেয়া হ'ল হৰণলুকী মন্ত্ৰ। হৰণলুকী মন্ত্ৰৰ দ্বাৰা চিত্ৰলেখাই অনিৰুদ্ধক দ্বাৰকাৰ পৰা আনি শোণিতপুৰ পোৱাইছিলহি। 'কৌটিল্যৰ অৰ্থশাস্ত্ৰত এই হৰণলুকী মন্ত্ৰ আৰু ঔষধৰ ব্যৱহাৰৰ বিষয়ে বিস্তৃতভাৱে পোৱা যায়। যথা ঃ

'তিনিদিন (তিনি ৰাতি) উপবাসে থাকি পুষ্যা নক্ষত্ৰত অস্ত্ৰৰে নিহত বা শূলত দিয়া মানুহৰ খোলাত য' ধান (লৈ) মাটিত ছটিয়াই দিব আৰু (তাৰ ওপৰত) ভেৰাৰ গাখীৰ ছটিয়াই দিব। তাৰ পাছত (তাত গজা) য' ধানৰ গাজৰ মালা পিন্ধি ল'লে নিজৰ চেহেৰা বা ছাঁয়া (আনে) নেদেখা কৰিব পাৰি। (কৌটিল্যৰ অৰ্থশাস্ত্ৰ, অসম প্ৰকাশন পৰিষদ, তৃতীয় অধ্যায়, ৩১২ পৃঃ)। মায়ং অঞ্চলতো এনে হৰণলুকী মন্ত্ৰ আছিল। এই মন্ত্ৰৰ সহায়ত বন্যজীৱ জন্তুৰ মাজেৰেও নিৰ্ভয়ে ঘূৰি ফুৰিব পাৰি অথবা হাজাৰজন লোকৰ মাজত থাকিলেও তেওঁক কোনেও দেখা নাপায়। হৰণলুকীৰ দৰে আন এক শ্ৰেণীৰ মন্ত্ৰ হ'ল উৰণ মন্ত্ৰ। এই মন্ত্ৰৰ দ্বাৰা 'অষ্ট প্ৰহৰৰ পথ এক প্ৰহৰত'ত যাব পাৰি (কোনো যান-বাহনৰ সহায় নোলোৱাকৈ)।

মায়ঙৰ মন্ত্ৰ সম্পৰ্কে বহু প্ৰবাদেই শুনা যায়। এই অঞ্চলতেই ৰজা মায়ং গাঁৱৰ চুৰা বেজ নামৰ এজন লোকে বনৰ ঢেকীয়াপতীয়া বাঘক কাণত ধৰি আনি পানী খুউৱা কথা আজিও মায়ঙৰ লোকৰ মুখে মুখে প্ৰচাৰিত হৈ আছে। এই বনৰ ৰজা বাঘকো বশ কৰিবলৈ সক্ষম হৈছিল একমাত্ৰ মন্ত্ৰ শক্তিৰে। এনেকি বাঘ মাৰিবৰ সময়ত এঠাইৰ পৰা আন এঠাইলৈ (য'ত বাঘক জালত বা চোঙত পেলাবলৈ সুবিধা তেনে ঠাইলৈ) বাঘ বলোৱা মন্ত্ৰৰ জৰিয়তে বোলাই নিব পাৰিছিল। তেনে মন্ত্ৰ এটাৰ কিছু অংশ উল্লেখ কৰা হ'ল ঃ

'শ্ৰী কৃষ্ণায়ে নমঃ ধনন্তৰীয়ে নমঃ।
হুংকাৰে আছোক সেমেকাৰ ধুলি।।
দুয়োকে জাৰি নিঘুণ কৰিলোঁ।
বাঘ যায় বনোবাৰ যোন ফালে মাতেং।
সেইফালে আহ। এই মন্ত্ৰ শুনি আই শ্ৰীহৰিৰ
অধিকাৰৰ মন্ত্ৰ শুনি আহিবি।
নাহ যদি আই দেৱীৰ মাথা খাবি।।
মোৰ হাক গুৰুৰ ডাক
যৈতে থাকে কেচুমতাৰ মাটি।

তৈতে বন্ধ হৈ থাক।
এই মন্ত্র লৰিবি চৰিবি।
আই দেবীৰ মাথা খাবি।।
(বাঘ বেলোৱা মন্ত্র।)

মানুহৰ চিকিৎসাৰ বাহিৰেও বিভিন্ন ঘৰচীয়া পশু-পক্ষী আদিকো মন্ত্রৰ দ্বাৰা চিকিৎসা কৰাৰ বিদ্যাও মায়ঙত আছিল। উদাহৰণস্বৰূপে এটা গৰুৰ যদি 'ভোকোলা' (একপ্রকাৰ পেটফুলা, শৌচ প্রস্রাব বন্ধ হোৱা ডিঙি ফুলি উঠা ৰোগ) হয়, তেন্তে গৃহস্থ পশু চিকিৎসকৰ ওচৰলৈ নগৈ বেজৰ ওচৰ চাপে। বেজে তেতিয়া মন্ত্রৰে জাৰে ঃ

'শ্রীকৃষ্ণায়ে নমঃ ভকলা জাৰো, ভকলী জাৰো, মাকক জাৰো জীয়েকক জাৰো, জাৰো গোহালীৰ গৰু, কি কি ভকলাৰ কি কি নাও, নেথনি ভকলা জাৰো, তেতনী ভকলা জাৰো, গেহনি ভকলা জাৰো.... চৌষষ্ঠি ভকলা জাৰি পানীকৃত কৰি মাৰো। এই বাক্য লৰাচৰা মহাদেউৰ চক্রত পৰিমৰা।'

গৰুৰ গাত পোক লাগিলে মন্ত্রৰ দ্বাৰা পোক মৰা, চকুত লেতেকুৰা হ'লে মন্ত্রৰ দ্বাৰা ভাল কৰা, দমৰা গৰুক বন্ধ লগাওঁতে বশীকৰণ মন্ত্রৰে বশ কৰি লোৱা আদি পশু-পক্ষীৰ ক্ষেত্রতো বিভিন্ন মন্ত্র ব্যৱহাৰ কৰা দেখা যায় আজিকোপতি।

মায়ং এখন কৃষিপ্রধান ঠাই। ইয়াৰ কৃষকে অসমত হোৱা প্রায় সকলো কৃষিয়েই কৰে। কিন্তু এই কৃষিসমূহৰ বৈৰীও (শত্রু) বহুত। যেনে— গৰু, ম'হ, গাহৰি, অতীতত হাতী, বর্তমানৰ গঁড় আদিৰ উপদ্রৱ, গান্ধী, ভূৰ পোক, ফৰিং, মজাখোৱা পোক, উইচিৰিঙা আদি কীট-পতঙ্গ, চৰাই-চিৰিকতি আদিৰ উপদ্রৱৰ পৰা খেতি ৰক্ষা কৰিবলৈ নিজৰ মাটিডৰাৰ চৌহদটো মন্ত্রৰ দ্বাৰা বান্ধি পেলায়। গান্ধী আদিয়ে ধান নষ্ট কৰিলে পাঁচডাল ইকৰাত মন্ত্রপুত কৰি ধানডৰাৰ মাজত এডাল আৰু চাৰিডাল ইকৰা চাৰিচুকত (নির্দিষ্ট নিয়মেৰে) থৈ আহিলেই গান্ধীয়ে আৰু ধান নোখোৱা হৈ পৰে। এনেকি মাটিডৰাৰ পৰা গান্ধীসমূহ আঁতৰি পলাই যায়। ইয়াকে গান্ধী বলোৱা মন্ত্র বোলে।

পূর্বতে উল্লেখ কৰি অহা হৈছে যে মায়ঙৰ মন্ত্রসমূহৰ বিষয়ে বহু কথাই শুনা যায়। কাম কৰি থাকোতে দেহৰ কোনো অংশত যদি ক্ষত হয় তেন্তে ক্ষতস্থানৰ পৰা যাতে তেজ ওলাব নোৱাৰে তাৰ বাবে ক্ষতস্থানত এচিকটা ধূলি লৈ টিপা মাৰি ধৰি একে উশাহতে মন্ত্র মাতে ঃ

'সোণৰ নাঙল ৰূপৰ ফাল।
ৰাম লক্ষ্মণে জুৰিলে হাল।
হাল বাওঁতে উঠিল মাটি।
মই তেজ ৰাখো সামি মুঠি।।'

দেখা যায় যে ক্ষতস্থানৰ পৰা তেজ ওলোৱাৰ লগে লগে বন্ধ হৈ পৰিব, যদিহে পূর্বে মাটিত তেজ পৰিবলৈ পোৱা নাছিল। ঠিক একেদৰে মাছ মাৰি থাকোতে শিঙি মাছে বিন্ধিলে লগে লগে তাৰ বিষৰ উপশম পাবলৈ ক্ষতস্থানত টিপা মাৰি ধৰি একে উশাহতে গাব ঃ

'শিঙিমুৰী নিমুৰী নলৰ তলত ঘৰ।
পৰ পুত্র বিন্ধি তই ক'লৈ মাৰ ল'ৰ।।
হৰ বিষ হৰ অমুকাৰ বিষ ব্যাধি। পানী উঠি পৰ।।

কাম কৰি থাকোতে উশাহ-নিশাহ লওতে কষ্ট অনুভৱ কৰিলে বুকুৰে পিঠিয়ে হান মাৰি ধৰিলে, অকণমান মিঠাতেল আনি বিষ হোৱা ঠাইত বুঢ়া আঙুলিৰে হেচি হেচি এই মন্ত্র মাতিলে উশাহ শূল ভাল হৈ পৰিব ঃ

'শৰ খাই শৰ কাঢ়ো শিৱ চৈতন্য চক্রপাক।
চলি যা তই লংকাৰ পাৰ। হৰ বিষ হৰ।
অমুকাৰ বিষ ব্যাধি পানীকৃত হৈ পৰ।'

পিঠা ভঙা মন্ত্রৰ দ্বাৰা কেতিয়াবা কাৰোবাৰ লগত জেদ লাগি নাইবা হিংসাৰ বশৱর্তী হৈ বিহু পিঠা ভাঙি বিহু পনীয়া কৰা কথাও শুনা যায়। এনে মন্ত্র হ'ল ঃ

এঙনি বান্ধিলো, জেঙনী বান্ধিলো
বান্ধিলো গোহালীৰ গৰু।
মাকক বান্ধিলো জীয়েকক বান্ধিলো
বান্ধিলো পিঠাৰ চৰু।।
পিঠাৰ লট পট খোলাৰ তপত।
পিঠা হৰ যদি মহাদেউৰ শপত।।'

বর্তমান মায়ঙৰ এই মন্ত্রসমূহৰ স্থিতি নাইবা গুণাগুণ বিশ্লেষণ কৰিবলৈ গ'লে এটা কথা বিশেষভাৱে উপলব্ধি কৰিব লাগিব যে এইসমূহৰ প্রভাৱ পূর্বে কিমান আছিল সেইটো প্রধান বিষয় নহয়। কোনো চিকিৎসালয় নাইবা কোনোধৰণৰ যাতায়াতৰ ব্যৱস্থা নথকাৰ সময়ত যে কেইডালমান বিহ ঢেকীয়াৰে জাৰিয়েই বহু কঠিন ৰোগৰ পৰা মানুহক আৰোগ্য কৰা হৈছিল সেইটো স্বীকাৰ নকৰি উপায় নাই। এনেকি আজিও বুঢ়া লোকসকলৰ মুখত শুনা যায় ব্রিটিছ আমোলত প্রকৃতিৰ অনবদ্য সম্ভাৰেৰে পূর্ণ মায়ং ভূমিত ব্রিটিছসকল সোমোৱাৰ আগমুহূর্তত মায়ঙৰ চলাজনা ৰজা স্বর্গীয় মীনাসিংহ কোঁৱৰে ৰাতিৰ ভিতৰতেই মায়ঙৰ চাৰি চুকত চাৰিটা খুঁটি (মন্ত্রপুত) মাৰি থৈ আহিছিল। যাৰ ফলত ব্রিটিছ সৈন্যই মায়ঙত কোনোধৰণৰ অত্যাচাৰ কৰিব নোৱাৰিছিল।

মায়ঙৰ অতীতৰ সেই অসম্ভৱক সম্ভৱ কৰি তুলিব

পৰা আচৰিত আচৰিত লগা তন্ত্ৰ-মন্ত্ৰসমূহৰ কথা আজি "লৰাৰ জাতকৰ মায়ঙৰ বেজে সোণ-ৰূপৰ বৰষুণ দিয়া" সাধুকথাত পৰিণত হৈ পৰিছে। কিন্তু মায়ঙৰ এই অতীতৰ গৌৰৱৰাজিক বহন কৰি অনা এই মন্ত্ৰসমূহ লুপ্ত হৈ পৰিল কিয়। এই প্ৰশ্নৰ উত্তৰ বিচাৰিবলৈ গ'লেই ওলাই পৰে যে শ্ৰীমন্ত শঙ্কৰদেৱে অসমত বৈষ্ণৱ ধৰ্মপ্ৰচাৰ কৰাৰ লগে লগে অসমৰ বুকুৰ পৰা তন্ত্ৰ-মন্ত্ৰৰ প্ৰভাৱসমূহ কমি আহিবলৈ ধৰিলে আৰু তাৰ ঠাই অধিকাৰ কৰিলে সত্ৰ সংস্কৃতিয়ে, ব্যক্তি তত্ত্বই। মায়ঙতো ১৫৬৪ শকত অনন্ত ঠাকুৰ আতা বা হৃদয়ানন্দ (শংকৰদেৱৰ নাতি-বোৱাৰী) কনকলতা আইৰ আজ্ঞাৰে কালশিলা বিলৰ পাৰত কালশিলা সত্ৰ আৰু তাৰ কিছুদিনৰ পিছত প্ৰায় ওচৰা-উচৰি সময়ত শিলডুবি, দৈ পৰা আৰু বৰহমপুৰত চাৰিখন সত্ৰ সৃষ্টি হৈ বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱ বিস্তাৰ কৰিবলৈ ধৰিলে। তাৰ লগে লগে মায়ঙৰ এই সাঁথৰ সাঁথৰ লগা অলৌকিক তন্ত্ৰ-মন্ত্ৰসমূহৰ প্ৰভাৱ ক্ৰমে কমি আহিবলৈ ধৰে। আকৌ ১৮২৬ খ্ৰীষ্টাব্দৰ ইয়াণ্ডাবু সন্ধিৰ চৰ্তানুসাৰে অসমত ব্ৰিটিছ শাসন প্ৰবৰ্তন হয়। ব্ৰিটিছসকলৰ লগতে আহিল পশ্চিমবংগৰ পৰা আমোলাৰ দল। তেওঁলোকে আহি অসম আইন আদালত পৰিচালনা কৰিবলৈ ধৰিলে। এই দুয়োটা দলে আহি চাৰিওফালে জোপ-জংঘলেৰে আৱৰা মায়ঙৰ পবিত্ৰ ভূমি খণ্ডত গচকিলেহি। তেওঁলোকে জনসাধাৰণৰ মাজত সোমাই নানান চলাহি কথাৰে সৰল মায়ংবাসীৰ মন ভুলাই এই ঐতিহ্যসম্পন্ন মন্ত্ৰ সম্পদসমূহ লৈ যায়। অকল সেয়ে নহয়, তেওঁলোক দুয়োটা দলৰ লগতে আৰু এটা দল আহিল। সেইটো হ'ল ব্যপ্তিষ্ট মিছনেৰীসকল। তেওঁলোকে খ্ৰীষ্টধৰ্ম প্ৰচাৰ কৰাৰ অজুহাতত অসমৰ বিভিন্ন ঠাইত সিঁচৰতি হৈ থকা প্ৰাচীন বুৰঞ্জী আদিৰ লগতে প্ৰাচীন সাহিত্যৰ বা গ্ৰন্থৰাজিও সংগ্ৰহ কৰিবলৈ ধৰিলে। এনে সংগ্ৰহৰ মাজৰ পৰা মন্ত্ৰৰ পুথিসমূহো বাদ নপৰিল। ফলত মায়ঙৰ মন্ত্ৰৰ ঐতিহ্য আৰু সাঁথৰ সাঁথৰ লগা ক্ষমতাসমূহো হেৰাই গ'ল। সেয়ে মানুহৰ মনৰ মাজত লুকাই থকা বিশ্বাসো কমি আহিবলৈ ধৰিলে। আনফালে সহজলভ্য ডাক্তৰী চিকিৎসাৰ প্ৰতি মানুহৰ আকৰ্ষণ বাঢ়ি আহিবলৈ ধৰিলে। ঠায়ে ঠায়ে চিকিৎসালয় সৃষ্টি হ'ল, যান-বাহনৰ সুবিধা হ'ল। গতিকে এতিয়া ৰোগ চিকিৎসাৰ কাৰণে বেজৰ ওচৰলৈ নগৈ ডাক্তৰৰ ওচৰলৈহে গতি কৰিলে।

ইয়াৰ উপৰিও এই মন্ত্ৰসমূহ হেৰাই যোৱাৰ আন কেতবোৰ কাৰণো আছিল। গুৰুৱে যিকোনো লোকক মন্ত্ৰ শিক্ষা নিদিয়ে। সৎ চৰিত্ৰৱান, ধীৰ, স্থিৰ, সংযমী, গোপনীয়তা ৰক্ষা কৰিব পৰা লোক আদি গুণবিশিষ্ট লোককহে মন্ত্ৰবিদ্যা দান কৰে। আন এটা কাৰণ হ'ল এনে কিছুমান মন্ত্ৰ আছে, যিসমূহ এজনৰ পৰা আনজনলৈ হস্তান্তৰ কৰিব নোৱাৰি, কৰিলেও সেই মন্ত্ৰই সুখদায়ক ফল দান নকৰে। মায়ং এখন বানপীড়িত সেমেকা ঠাই। ফলত সাঁচিপাত, তুলাপাত আদিত লিখা মন্ত্ৰৰ পুথিসমূহ হয় সেমেকা বতৰত নষ্ট হয় নাইবা বানপানীত নষ্ট হয় বা উটি যায়। উঁই, উইচিৰিঙা, পৰুৱা, এন্দুৰ-নিগনি আদিয়েও বহু পুথি নষ্ট কৰি পেলায়। তাৰোপৰি তন্ত্ৰ-মন্ত্ৰ ব্যৱহাৰ কৰা বেজসকলে বিভিন্ন পূজা-পাতল আদি কৰিব লাগে। এনেকি বহুত মন্ত্ৰত বলিও দিব লগা হয়। এনেক্ষেত্ৰত আৰ্থিক অনাটন, বৈষ্ণৱ প্ৰভাৱ আদি বিভিন্ন কাৰণত এই মন্ত্ৰসমূহ বহু লোকে ত্যাগ কৰিবলৈ বাধ্য হৈ পৰিছিল। অন্যথাই সেই মন্ত্ৰসমূহে বেজৰ বা পৰিয়ালৰ অমংগল ঘটায় বুলি জনবিশ্বাস। আকৌ বেজৰ মৃত্যুৰ পিছত পুত্ৰ-পৌত্ৰাদিয়ে এই মন্ত্ৰপুথিসমূহ পালন কৰিব নোৱাৰে নাইবা শিকিবলৈ আগ্ৰহ নাই। কিন্তু মন্ত্ৰৰ পুথিসমূহ ঘৰত থাকিলে উপযুক্ত পূজা-পাতল দিব নোৱাৰিলে ই গৃহস্থৰ অমংগল কৰে বুলি বিশ্বাস। গতিকে এনে মন্ত্ৰৰ পুথিসমূহ কেতিয়াবা বোৱতী সুঁতিত উটুৱাই দিয়ে, কেতিয়াবা জুইত পুৰি নষ্ট কৰে নাইবা ঘৰৰ পৰা বহু আঁতৰত পুতি থয়। ফলত মায়ঙৰ বহু মন্ত্ৰয়েই কালৰ গতিত হেৰাই গ'ল। ইয়াৰ লগে লগে আন এটা কাৰণো উল্লেখ কৰিব পাৰি। বৰ্তমানৰ শিক্ষিত বা অৰ্দ্ধশিক্ষিত সমাজৰ এনে মন্ত্ৰৰ প্ৰতি আগ্ৰহহীনতাৰ বাবেও হেৰাই গ'ল। আকৌ অতীতৰ লোকৰ সংগ্ৰহৰ অজ্ঞানতা বা অনিহাৰ বাবেও মন্ত্ৰসমূহ হেৰাই গ'ল।

এই তন্ত্ৰ-মন্ত্ৰসমূহৰ বিষয়ে আলোচনা কৰিলেই তাৰ লগতে আলোচনাৰ প্ৰয়োজন বনৌষধিসমূহৰ বিষয়ে। কাৰণ তন্ত্ৰ-মন্ত্ৰৰ লগতে বনৌষধিৰ প্ৰয়োগ আৰু প্ৰয়োজনীয়তা বিশেষ গুৰুত্বপূৰ্ণ বিষয়। কিন্তু আলোচনা দীঘলীয়া হোৱাৰ ভয়ত তাক ভৱিষ্যতৰ বুকুলৈ ঠেলি থ'লো।

ওপৰত উল্লেখ কৰি অহা কাৰণসমূহৰ বাবেই যদিও মায়ঙৰ তন্ত্ৰ-মন্ত্ৰৰ প্ৰভাৱ কমি আহে, তথাপিও এটা কথা স্বীকাৰ্য যে বৰ্তমানো মায়ঙত তন্ত্ৰ-মন্ত্ৰৰ প্ৰচলনৰ এটা ক্ষীণ সুঁতি প্ৰবাহিত হৈয়ে আছে। এই অঞ্চলৰ জনসাধাৰণে আজিও সাধাৰণ শ্ৰেণীৰ বিভিন্ন ৰোগৰ বাবে বিভিন্ন ধৰণৰ মন্ত্ৰৰ দ্বাৰা ৰোগ নিৰাময়ৰ চেষ্টা কৰা দেখা যায়। উদাহৰণস্বৰূপে কাটিলে তেজ ৰখোৱা, শিঙি মাছৰ বিষ জৰা, দেহৰ বিভিন্ন অংশত হোৱা বিষ, কাঁহ মাৰি নিৰাময় কৰা, ডিঙিত বগৰীগুটীয়া হোৱা, ডিঙিত মাছৰ কাঁইট গুচোৱা, মুখলগা ভঙা মন্ত্ৰ, বিভিন্ন প্ৰকাৰৰ মূৰৰ বিষ (আগকপালী, চন্দ্ৰকপালী, সূৰ্যকপালী আদি) আদি জাৰি ভাল কৰাৰ দৃষ্টান্তৰো অভাৱ নাই। সৰ্পই

দংশন কৰিলে ডাক্তৰৰ ওচৰলৈ নগৈ ৰোগীয়ে বেজৰ ওচৰলৈহে যায়। বেজে 'এসূঁত' মৰাপাত লৈ ৰোগীৰ ভৰিৰ বুঢ়া আঙুলিত বান্ধি মৰাপাত সুত টানি টানি জাৰি সাপৰ বিষৰ পৰা ৰোগীক মুক্ত কৰা দৃষ্টান্তৰ অভাৱ নাই। এইসমূহৰ লগতে সৰু ল'ৰা-ছোৱালীয়ে ভয় খাই কান্দিলে জাপ (এঁৰা সূতাৰে তৈয়াৰী) জৰি বান্ধি দিয়া, ভূতে ধৰিলে জাপ জাৰি দিয়া, প্ৰসূতিক পানী কাটি প্ৰসৱ কৰোৱা আদি বিভিন্ন ক্ষেত্ৰত প্ৰয়োগ আজিও চলিয়েই আছে।

মন্ত্ৰসমূহ অধ্যয়ন কৰিলে এটা কথা বিশেষভাৱে মন কৰিব পাৰি যে, প্ৰত্যেক মন্ত্ৰৰেই শেষত 'কামৰূপৰ কামাখ্যা মাওঁ', মহাদেউ, শিৱ, বিষ্ণু আদি বিভিন্ন দেৱ-দেৱতাৰ শপত দিয়াটো অপৰিহাৰ্য। পূৰ্বতেই উল্লেখ কৰি অহা হৈছে যে মায়ং অতীতৰ কামাখ্যা পীঠৰ অন্তৰ্গত। গুৱাহাটীৰ কামাখ্যা মন্দিৰৰ পৰা মায়ঙৰ দূৰত্ব নিচেই তাকৰ। তাৰোপৰি মায়ং পাহাৰত এটা কামাখ্যা মন্দিৰ থকাটো এইক্ষেত্ৰত উল্লেখযোগ্য। সেয়ে কামাখ্যা আৰু মায়ঙৰ পঞ্চদেৱতাৰ শপত দিয়াটো অতি স্বাভাৱিক। এই শপতসমূহ বৰ কঠোৰ।

মন্ত্ৰসমূহত একেটা মন্ত্ৰৰেই বহু ৰোগৰ কথা উল্লেখ পোৱা যায়। গতিকে একেটা মন্ত্ৰৰেই বহু ৰোগৰ বাবে ব্যৱহাৰ কৰা হয়। উদাহৰণস্বৰূপে ঃ

'ওঁং শ্ৰীকৃষ্ণায়ে নমঃ ওঁং ধনন্তৰীয়ে নমঃ।  
চন্দ্ৰ কপালী বান্ধো, আগ কপালী বান্ধো।  
সূৰ্য কপালী বান্ধো, কপাল কামোৰণী জাৰি  
পানীকৃত কৰো....।'  
(মূৰৰ বিষ জৰা মন্ত্ৰ)

মন্ত্ৰসমূহৰ অৰ্থ মুখ্য নহয়, শব্দহে মুখ্য। যিহেতুকে শব্দসমূহৰ উৎপত্তি ঘটে সাধনাৰ মাজেৰে। শব্দই ব্ৰহ্ম। গতিকেই এইসমূহৰ অৰ্থৰ বিচাৰ কৰিবলৈ কোনো নাযায়। সহজ অন্তঃকৰণেৰে মানি লয়। গতিকে মন্ত্ৰই ৰোগীক আৰোগ্য কৰে। ইয়াৰ তাৎপৰ্য কেৱল গুৰুৰেহে জানে, সৰ্বসাধাৰণৰ বোধগম্য নহয়।

বৰ্তমান যুগ বিজ্ঞানৰ যুগ। আজিৰ সভ্যতা বিজ্ঞানৰ সভ্যতা। আজিৰ এই একবিংশ শতিকাৰ পদূলিমুখত বৈ.... বিজ্ঞানৰ জয়ধ্বজা উৰুওৱাৰ সময়তো মায়ঙৰ তন্ত্ৰ-মন্ত্ৰ সম্বন্ধে আনৰ কথাকে নকও অসমতেই বিভিন্ন ঠাইত বিভিন্ন ধৰণৰ অপপ্ৰচাৰে ঠাই পাই আহিছে। কিন্তু অতি পৰিতাপৰ বিষয় যে মায়ঙৰ এই তন্ত্ৰ-মন্ত্ৰ সম্পৰ্কে আলোচনা কৰিবলৈ কোনো সুধী সমাজ আগবাঢ়ি অহা নাই। যাৰ ফলত হয়তো অসমীয়া সাহিত্যৰ ভঁৰাললৈ আগবঢ়াব পৰা মায়ঙৰ এই তন্ত্ৰ-মন্ত্ৰসমূহে আজি সমাধিত ফুলা ফুলৰ দৰে অনাদৃত হৈ নিঃশেষ হৈ পৰাৰ উপক্ৰম হৈ পৰিছে। অসম সাহিত্য সভা, অসমৰ ভাষা সাহিত্য উন্নতি সাধনৰ অৰ্থে মহা মহা মনিষীসকলৰ চিন্তা-প্ৰসূত এটা বৃহৎ জাতীয় অনুষ্ঠান। যদি এই জাতীয় অনুষ্ঠানটিয়ে অসমৰ এই অতীত গৌৰৱৰ স্থলী মন্ত্ৰ-সাহিত্যসমূহৰ বৰ্তমান থকাখিনিয়েই পুনৰ উদ্ধাৰ আৰু তাৰ সাহিত্যিক মৰ্যাদা নিৰূপণ কৰি বহুল প্ৰচাৰৰ ব্যৱস্থা কৰে তেন্তে এনে প্ৰচেষ্টাই সমগ্ৰ অসমৰ লগতে লুপ্তপ্ৰায় মায়ঙৰ এই তন্ত্ৰ-মন্ত্ৰসমূহেও সভ্যতাৰ পথত খোজ পেলাই অসমীয়া মন্ত্ৰ সাহিত্যৰ ভঁৰাললৈ কিছু পৰিমাণে হ'লেও বৰঙণি নিশ্চয় আগবঢ়াব পাৰিব।

সুধীসমাজৰ জ্ঞাতাৰ্থে কওঁ, মায়ঙৰ এই তন্ত্ৰ-মন্ত্ৰসমূহ আজিও গৱেষণাৰ বিষয়। যদি কোনো গৱেষকে গাৱেষনিক দৃষ্টিভংগীৰে এইসমূহৰ ওপৰত আলোকপাত কৰে তেন্তে ইয়াৰ যথেষ্ট সমল যে পোৱা যায় সেইটো ধ্ৰুপ। সেয়ে ক'ব বিচাৰো, অসম সাহিত্য সভাৰ লগতে অসমৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ, অসম প্ৰকাশন পৰিষদ আদি অনুষ্ঠানসমূহেও এনে মহৎ প্ৰচেষ্টা হাতত লৈ মায়ঙৰ এই তন্ত্ৰ-মন্ত্ৰসমূহৰ লগতে প্ৰাচীন ঐতিহ্যসম্পন্ন শিলামূৰ্তি, পোৰামাটিৰ ভাস্কৰ্য, শিলালিপি আদিৰ ওপৰত গৱেষণা চলায় তেন্তে প্ৰাচীন অসমীয়া সাহিত্যৰ লগতে মায়ঙীয়া সভ্যতাৰ এটা দিশ জনমানসৰ দৃষ্টিত প্ৰতিভাত হৈ পৰিব। ◆◆

*বিঃ দ্ৰঃ - পাঠকসকলৰ প্ৰতি এটি অনুৰোধ, প্ৰবন্ধটিত উল্লেখ কৰা মন্ত্ৰসমূহ কোনেও যেন ব্যৱহাৰ কৰিবলৈ প্ৰয়াস নকৰে। কাৰণ ইয়াত নিৰ্দিষ্টকৈ দিয়া নিয়মসমূহ মানি চলিব নোৱাৰিলে আৰু গুৰু দীক্ষা নাপালে মন্ত্ৰই হিতে বিপৰীত ঘটায়। আনহাতে কোনোটো মন্ত্ৰয়েই পূৰ্ণ নহয়।*


**<u>প্ৰবন্ধটি যুগুতাওতে সহায় লোৱা গ্ৰন্থঃ</u>**

- শ্ৰীমদ্ভাগৱৎ ঃ দত্তবৰুৱা প্ৰকাশন,
- মহাভাৰত ঃ ৰামসৰস্বতী,
- ৰামায়ণ ঃ মাধৱ কন্দলী,
- অসমীয়া সাহিত্যৰ ইতিবৃত্ত, অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত ঃ ড° সৈতেন্দ্ৰ নাথ শৰ্মা, অসমীয়া সাহিত্যৰ ৰূপৰেখা ঃ ড° মহেশ্বৰ নেওগ, অসমীয়া সাহিত্যৰ দৃষ্টিপাত ঃ ড° হেমন্ত শৰ্মা।

# মায়ঙৰ মন্ত্ৰ আৰু ইয়াৰ প্ৰভাৱ

তিলক হাজৰিকা
অৱসৰপ্ৰাপ্ত শিক্ষক, মায়ং

পুৰণি নগাঁও জিলা, বৰ্তমান মৰিগাঁও জিলাৰ পশ্চিম প্ৰান্তত অৱস্থিত ঠাইখণ্ডই মায়ং। অতি প্ৰাচীন কালৰ পৰাই মায়ঙত যাদু-মন্ত্ৰৰ চৰ্চা চলি আহিছে। বাহিৰৰ বহুত মানুহে মায়ঙৰ বহু লোকৰ ঘৰত কাম কৰা মানুহ হিচাপে থাকি যাদু-মন্ত্ৰ শিকি যোৱা আমি সৰু অৱস্থাৰ পৰাই দেখিছোঁ। পুৰণি কামৰূপ ৰাজ্যৰ অন্তৰ্গত মা-কামাখ্যা আৰু মায়ং দুয়োখন ঠাইৰে ওতঃপ্ৰোত সম্বন্ধ থকাৰ প্ৰমাণ বহু পোৱা যায়। বৈদিক যুগৰ পৰা মন্ত্ৰৰ প্ৰভাৱ মায়ঙত চলি আহিছে। আজি বিজ্ঞানৰ যুগত শিক্ষাৰ পোহৰ পোৱা মায়ঙৰ মানুহে আগৰ দৰে তন্ত্ৰ-মন্ত্ৰৰ বিষয়ে আগ্ৰহ কমাই আনিছে। বহু ঐশ্বৰিক শক্তিসম্পন্ন মন্ত্ৰৰ পুথি নৈত উটুৱাই দিছে। আগৰ মায়ং আৰু কামাখ্যাৰ মাজৰ ভূমিখণ্ডত তন্ত্ৰ-মন্ত্ৰৰ চৰ্চা প্ৰবলভাৱে চলিছিল বুলি প্ৰবাদ আছে। এই ভূখণ্ডৰ চাৰিওফালে সিঁচৰতি হৈ থকা নানান শিলৰ দেৱ-দেৱীৰ মূৰ্তি আৰু ব্ৰহ্মপুত্ৰ নদীৰ পাৰৰ নিৰ্জন তপস্যা নাইবা সাধনা কৰিব পৰা উপযুক্ত ঠাই থকা হেতুকে বহুতে ক'ব খোজে। যিয়েই নহওক মায়ং পুৰণি কালৰ পৰা যাদু-মন্ত্ৰৰ ঠাই বুলি জনাজাত। বৰ্তমান ইয়াৰ প্ৰভাৱ কমি গৈছে যদিও পূৰ্বপুৰুষৰ পৰা পৰম্পৰাগতভাৱে চলি অহা এক আপুৰুগীয়া সম্পদ। যাৰ বাবে আজি মায়ঙলৈ দেশ-বিদেশৰ মানুহৰ সমাগম হৈ আহিছে। কিছুমান মানুহে ইয়াৰ বিষয়ে জানিবলৈ আহিছে আৰু কিছুমানে নিজৰ সমস্যা সমাধানৰ উপায় বিচাৰি আহিছে। কিন্তু এইবোৰ এদিন হেৰাই যাব বুলি সন্দেহ কৰা হৈছে।

গুৰু নোহোৱা বিদ্যা পাখি নোহোৱা কাঁড়ৰ দৰে। মন্ত্ৰসমূহ পৰম্পৰাগতভাৱে গুৰু ধৰি শিকা এক বিদ্যা। যাকে তাকে শিকিবলৈ দিয়া নহয় নাইবা শিকোৱা নহয়। শিকোতাৰ ওপৰত পৰীক্ষা-নিৰীক্ষা কৰিহে শিকোৱা হয়। এই মন্ত্ৰসমূহ শিকিবলৈ যাওঁতে প্ৰথমে মায়ঙৰ পঞ্চ দেৱতাক সাক্ষী কৰি জ্ঞান বা বিদ্যাৰ অধিকাৰী সৰস্বতী দেৱীক বন্দনা কৰি আৰম্ভ কৰিবলৈ নীতি-নিয়ম দিয়া হয়। এইক্ষেত্ৰত অতীতকালত দেৱ-দেৱীক সন্তুষ্ট কৰিবলৈ বলি-বিধান চলিছিল

নেকি তাক নাজানো। কিন্তু বৰ্তমানলৈ দেব-দেৱীক সন্তুষ্ট কৰিবলৈ বলি-বিধান দিয়া দেখা নাই। জীৱৰ কাৰণে জীৱক বলি দিয়া অন্ধবিশ্বাস দুৰ হ'ব লাগে। মায়ঙত বলি-বিধানৰ প্ৰচলন নাই। সেইবাবে মায়ঙৰ জনসাধাৰণে দুৰ্গা দেৱীৰ পূজা নকৰি শ্ৰীশ্ৰীলক্ষ্মী পূজা উৎসৱ চাৰি-পাঁচদিনীয়াকৈ অনুষ্ঠিত কৰে। ভাৰতীয় সভ্যতাৰ আধাৰ স্বৰূপ চাৰি বেদ— ঋক, যজুঃ, সাম আৰু অথৰ্ব। এই চাৰি বেদৰ ভিতৰত ঋক, যজুঃ আৰু সাম বেদত পূজা-পাৰ্বণ আদিৰ বৰ্ণনা পোৱা যায়। অথৰ্ব বেদ এইক্ষেত্ৰত অলপ ব্যতিক্ৰম। অথৰ্ব বেদত চিকিৎসা শাস্ত্ৰৰ বিষয়ে জ্ঞান পোৱা যায়। অথৰ্ব বেদক আশ্ৰয় কৰিয়েই আজি চিকিৎসা বিজ্ঞানে উচ্চ শিখৰত ভৰি দিয়া বুলি বহুতে কব বিচাৰে। মুখ্যতঃ অথৰ্ব বেদৰ দিনৰ পৰা পৰম্পৰাগতভাৱে চলি অহা মন্ত্ৰ চিকিৎসাই ডাক্তৰ নথকা দিনৰ পৰা এই অঞ্চলত সাপে কামোৰা, বিষাক্ত পোক-পৰুৱাই কামোৰা, বলীয়া শিয়াল-কুকুৰে কামোৰা, বিষ, বাতবিষ আদি নানা ৰকমৰ ৰোগ-ব্যাধিৰ চিকিৎসা কৰি আহিছে। তাৰ বাদেও মোহিনী বিদ্যা, ৰাজমোহিনী, সমাজ মোহিনী, বশীকৰণ, আকৰ্ষণ, ভৌতিক ভাৱ দূৰ কৰা (ভূত খেদা), উৰণ বিদ্যা, বাঘ বন্ধা আদি প্ৰয়োজনীয় কামসমূহ কৰিছিল আৰু আজিও সম্ভৱপৰ কাম কৰি আছে। ইংৰাজী ১৯৬০ চনত পকৰীয়া মৌজাৰ বৰ্তমান বাঘডুবি নামৰ ঠাইত মাইকী বাঘ এজনী আৰু পোৱালী দুটা মন্ত্ৰ শক্তিৰ দ্বাৰা জালেৰে বন্ধা হৈছিল। এই কাম ৰজামায়ং নিবাসী মৃত চুৰা বেজৰ দ্বাৰা কৰা হৈছিল। আমি নিজে সৰু অৱস্থাত এই মন্ত্ৰ শক্তিৰ দ্বাৰা বাঘ বন্ধা দৃশ্য চাবলৈ গৈছিলো। তিনি-চাৰি দিনৰ পিছত এইদৰে জালেৰে ঘেৰ দি ৰাখি বাঘকেইটা মাৰা হৈছিল। আগৰ কালত এইদৰে মন্ত্ৰ শক্তিৰ দ্বাৰা বাঘ খেদি আনি জালেৰে ঘেৰ দি ৰাখা এটা আমোদজনক উৎসৱৰ দৰে হয়। এই দৃশ্য চাবলৈ অগণন মানুহৰ সমাগম হয়। যিবিলাক বাঘে মানুহ, গৰু, ম'হ মাৰি মানুহৰ অনিষ্ট কৰে সেই বাঘক মাৰিবলৈ তেতিয়াৰ মায়ঙৰ ৰজাই বেজক পৰামৰ্শ দিয়ে। বেজে লঘোণে-ভোকে উপবাসে থাকি ডাঠ হাবিৰ পৰা ধূলি জাৰি বাঘক খেদি আনি পাতল হাবিত জালেৰে ঘেৰ দি ৰজাক খবৰ দিয়ে। ৰজাই বাৰিকা লগাই মায়ঙৰ সকলো গাঁও, চুবা, খেলৰ মানুহক খবৰ দি মাতি আনে আৰু জালৰ চাৰিওফালে পহৰা দিবলৈ খেল হিচাপে ভগাই দিয়ে। প্ৰতি খেলৰ মানুহে পঁজা চালি আদি দি পহৰা দিয়ে। এডাল ডাঙৰ পোন গছত চাৰিডাল ৰচি লগাই ইফালে সিফালে হৰিধ্বনি দি টানি জালৰ ভিতৰৰ বনসমূহ ছিঙি-ভাঙি চেপেতা কৰি দিয়া হয় যাতে জালৰ ভিতৰত থকা বাঘ সকলোৱে দেখা হৈ পৰে। এইদৰে কেইদিনমান থকাৰ পিছত বেজে যেতিয়া লঘোণে-ভোকে, অনাহাৰে থাকিব নোৱাৰা হৈ পৰে তেতিয়া ৰজাৰ পৰা বাঘ মৰাৰ অনুমতি বিচাৰে। ৰজাই বাঘ মাৰিবলৈ যিকোনো এজন চিকাৰীক অনুমতি দিলেহে বাঘ মাৰা হয়। এই বাঘডুবিৰ পিছত আৰু মায়ঙত কোনোদিনে মন্ত্ৰ শক্তিৰ দ্বাৰা বাঘ মাৰা হোৱা নাই।

এই তন্ত্ৰ-মন্ত্ৰসমূহ মায়ঙত কেতিয়াৰ পৰা কোনে প্ৰথমে ব্যৱহাৰ কৰিছিল নাইবা লিখি থৈ গৈছিল তাক সঠিকভাৱে কোৱা টান। মায়ঙৰ ৰজাঘৰীয়ায়ো পুৰণিকালত ৰাজকাৰ্যত নাইবা চিকিৎসা কাৰ্যত ব্যৱহাৰ কৰা বুলি বহু কিংবদন্তি-কাহিনী শুনিবলৈ পোৱা যায়। বৰ্তমানো পুৰণি তন্ত্ৰ-মন্ত্ৰৰ বহু সাঁচিপতীয়া পুথি বহুলোকৰ ঘৰত পোৱা যায়। এই পুথিসমূহৰ ভিতৰৰ বহু সাঁচিপতীয়া পুথি লোকেন্দ্ৰ হাজৰিকা আৰু উৎপল নাথৰ প্ৰত্যক্ষ সহযোগত মায়ং গ্ৰাম্য সংগ্ৰহালয় আৰু গৱেষণা কেন্দ্ৰত সংগ্ৰহ কৰি ৰখা হৈছে। ইয়াক চাবলৈ দেশ-বিদেশৰ মানুহ আহে। এই সাঁচিপতীয়া পুথিসমূহ অতীত মায়ঙৰ ইতিহাসৰ আপুৰুগীয়া সমল। পুথিসমূহ সহজে বুজি নোপোৱা সেই সময়ৰ 'কায়থেলি' ভাষাৰ ব্যৱহাৰ বুলি পণ্ডিতসকলে কয়। কিন্তু বৰ্তমান মায়ঙৰ বেজ জ্ঞানীসকলে যি মন্ত্ৰ ব্যৱহাৰ কৰে সেইবিলাক বৰ্তমান চলি থকা অসমীয়া ভাষাৰ। যেনে—

"শ্ৰীকৃষ্ণায়ে নমঃ, আচফান কৰে থক্ থক্
জমিন হৈল চক্, কোনো মধ্য মহলি বেৰৰ
কু জ্ঞান কু মন্ত্ৰ ভূত-প্ৰেত-ডাইনী কুসিনী... যদি এই কথা লৰে মা-কালীৰ মুণ্ড চিঙি ভূমিতে পৰে।"

আগৰ কায়থেলি ভাষাৰ পৰা কোনে কেতিয়া বৰ্তমানৰ ভাষালৈ অনুবাদ কৰিছিল তাকো কোৱা টান। এই মন্ত্ৰসমূহত অসমীয়া, সংস্কৃত, বঙালী, হিন্দী ভাষাৰ শব্দ ব্যৱহাৰ আৰু বিশেষকৈ হিন্দু-মুছলমান ধৰ্মৰ ইষ্ট দেৱ-দেৱীৰ নাম উল্লেখ থকা দেখা যায়। যেনে—

"শ্ৰীকৃষ্ণায়ে নমঃ, আল্লা লাগে তাল্লা
লাগে, মহম্মদ লাগে ধন্দ, এই কথা কথা
দিয়া ৰুগীৰ শৰীৰ কৰিলো বন্ধ
যদি এই বন্ধ লৰে চৰে মা-কালীৰ
মুণ্ড চিঙ্গি ভূমিতে পৰে।"

ভাৰতীয় দাৰ্শনিকসকলে কৈ আহিছিল যে শব্দই ব্ৰহ্ম। ব্ৰহ্ম শব্দই চিৰন্তন সত্যক বুজায়, যাৰ বিনাশ নাই। বায়ু,

পানী, অগ্নি আদিৰ দৰে শব্দৰো বিনাশ নাই। আমি মুখেৰে কোৱা কথা নাইবা যিকোনো শব্দ শূন্যত বিচৰণ কৰি ফুৰে। শব্দসমূহ বিয়োগ হৈয়ো পূৰ্ণ ৰূপতে থাকে, শেষ হৈ নাযায়, বাঢ়িহে যায়। এটা শব্দ বা বাক্য মুখেৰে বাৰে বাৰে উচ্চাৰণ কৰিলেই থাৰত গৈ পূৰ্ণ ৰূপতে আকৌ মুখলৈ ঘূৰি আহি মুখত কণ্ঠত থিতাপি লয়, ইয়াকে মুখস্থ কণ্ঠস্থ বুলি কওঁ। আজি বিজ্ঞানৰ যুগত তাৰ প্ৰমাণ ৰেডিঅ', টেলিভিছন, টেপ ৰেকৰ্ডাৰ আদিৰ দ্বাৰা পোৱা যায়। এই মন্ত্ৰসমূহ শব্দৰ সমষ্টি, শুদ্ধভাৱে উচ্চাৰণ কৰিলে তাৰ পৰা ফল পোৱা যায় বুলি প্ৰবাদ আছে। গুৰু বা জ্ঞানীসকলে কয়— এটা বস্তু চুৰি কৰি কোনোবাই লৈ গ'লে চোৰক ধৰিব নোৱাৰি যদি গোৱাল গালি দিয়ে (গালিসমূহ শব্দৰ সমষ্টি) এই গালিয়ে বায়ুত বিচৰণ কৰি কোন প্ৰকৃত চোৰ তাক বিচাৰি ফুৰে আৰু সুবিধা পালে শাস্তি দিয়ে।

মন্ত্ৰসমূহ প্ৰয়োগৰ ক্ষেত্ৰত তন্ত্ৰৰ প্ৰয়োজন। মন্ত্ৰ ব্যৱহাৰ কৰোতে কিছুমান বস্তুৰ আৱশ্যক হয়। সেই বস্তুসমূহ দিন-বাৰ, তিথি, নক্ষত্ৰ, দিশ আদি চাই নীতি-নিয়মৰ মাজেৰে সংগ্ৰহ কৰি থ'ব লাগে। কিছুমান বস্তু পূজা-পাতল, হোম-যজ্ঞ কৰি সংগ্ৰহ কৰা হয়। মন্ত্ৰসমূহ চলাবলৈ হ'লে প্ৰতি বছৰে এবাৰ তিথি, নক্ষত্ৰ, দিন-বাৰ চাই পূজা-পাৰ্বণ, সাধন কৰি মন্ত্ৰসমূহ জাগৰণ কৰি ল'ব লাগে। মন্ত্ৰ শাস্ত্ৰত বিভিন্ন মন্ত্ৰৰ বাবে বিভিন্ন দেৱ-দেৱীক পূজা-অৰ্চনা কৰা দেখিবলৈ পোৱা যায়। যেনে- সাপৰ বিষ নমোৱা মন্ত্ৰৰ বাবে মনসা দেৱী আৰু মহাদেৱ। ঠিক সেইদৰে আন কাৰণত মা-কামাখ্যা, মা-কালী, শ্ৰীবিষ্ণু ইত্যাদি। সাধাৰণতে মন্ত্ৰসমূহত মা-কামাখ্যা, মা-কালী, মা-দুৰ্গা, ব্ৰহ্মা, বিষ্ণু, মহেশ আদি দেৱ-দেৱীৰ নাম উল্লেখ পোৱা যায়। ইয়াত কোনো ভূত-প্ৰেত, ডাইনী-যোগিনীক আহ্বান কৰা পোৱা নাযায়। এই ভ্ৰান্ত ধাৰণাসমূহ খেদা বা দূৰ কৰা চিকিৎসাৰ কথাহে মন্ত্ৰত পোৱা যায়। মায়ঙৰ জনসাধাৰণে কোনো ভূত-প্ৰেত, ডাইনী-যোগিনী আজিলৈ বিশ্বাস কৰা নাই আৰু নকৰে। দেৱ-দেৱীসকলক সদায় মাঙ্গলিক কামৰ বাবে পূজা-পাতল কৰি আহিছে। দেৱ-দেৱীসকলে সদায় জীৱৰ মঙ্গলৰ বাবে কাম কৰি আছে বুলি জনবিশ্বাস এতিয়াও আছে। এনেক্ষেত্ৰত পৃথিৱীত কিয় এই বিজ্ঞানৰ যুগত ডাইনী হত্যা আদি কু-প্ৰথা চলি আছে তাকে ভাবি আচৰিত লাগে। এই কু-প্ৰথাসমূহ আমাৰ পূৰ্বপুৰুষৰ পৰা পূজা-পাৰ্বণ কৰি অহা দেৱ-দেৱীসকলক অৱমাননা কৰা হৈছে। ই জীৱশ্ৰেষ্ঠ মানৱ জাতিৰ বাবে ক্ষতিকাৰক। এই অন্ধবিশ্বাস দূৰ কৰিবৰ বাবে সকলোৰে চেষ্টা কৰিব লাগে। প্ৰথমে দেৱ-দেৱীসকলক সন্তুষ্ট কৰিবলৈ প্ৰাৰ্থনা, পূজা-পাৰ্বণ কৰা হয়। যদি ইয়াৰ দ্বাৰা তেওঁক সন্তুষ্ট কৰিব পৰা নাযায় তেতিয়া দেৱ-দেৱীক সন্তুষ্ট কৰিবৰ বাবে যি পদ্ধতি অৱলম্বন কৰা হয় তাকে 'সাধন' বুলি কোৱা হয়। সাধনা কৰি বিভিন্ন দেৱ-দেৱীৰ লগত সংযোগ (Network) গঢ়ি তুলিব লাগে। Network নাপালে শব্দই কাম কৰিব নোৱাৰে। ই ধাৰ্মিকতা, আধ্যাত্মিকতা আৰু দৰ্শন শাস্ত্ৰৰ মত।

আজিৰ এই বিজ্ঞানৰ যুগত তন্ত্ৰ-মন্ত্ৰৰ বিষয়ে বিশ্বাস কৰিবলৈ টান পায়। মানৱৰ ক্ৰমবিকাশ কোটি কোটি বছৰৰ আগতে হৈছে। কালৰ গতিত নাইবা পৰিৱেশ-পৰিস্থিতিত কৰ্মফলত মানৱ উন্নীত হয় আৰু অধোনমিত হয়। মন বা বুদ্ধিৰ বিকাশক জ্ঞান বুলি কোৱা হয়। আমি দেখি-শুনি, চাই, চুই চাই, খাই চাই অনুভৱ কৰাকে জ্ঞান বোলে। বিশ্লেষণাত্মক জ্ঞান নাইবা তন্ন তন্নকৈ পৰীক্ষা-নিৰীক্ষা কৰি পোৱা জ্ঞানক বিজ্ঞান বুলি কোৱা হয়। তন্ত্ৰ-মন্ত্ৰসমূহ বিশ্বাসৰ ওপৰত চলি আহিছে। বিশ্বাসে মিলয় হৰিতকৈ বহু দূৰ। বিশ্বাসৰ বাবেই কিছুমান অসম্ভৱ কাম সম্ভৱপৰ হৈ পৰিছে।

◆ ◆